গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ১৪ আগষ্ট, ২০২৬/২৮ শাওণ ১৯৪৩ শক ● দাম ৩.০০ টকা ● পঞ্চদশ বছৰ ● সংখ্যা - ১৮ ● Vol - 15, Issue - 18

কাৰিকৰী বিজুতিৰ বাবে কাকতখন ১২ পৃষ্ঠাৰ সলনি ৮ পৃষ্ঠা কৰিব লগীয়া হ'ল। এই সিদ্ধান্ত ল'ব লগীয়া হোৱাৰ বাবে আমি অতিকৈ দুঃখিত।

— সম্পাদক

# ছেপ্টেম্বৰৰ প্ৰথম সপ্তাহত আৰম্ভ হ'ব মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনি



**গুৱাহাটী ঃ** দেশৰ উচ্চতম ন্যায়ালয়ৰ এক নিৰ্দেশনাৰ ভিত্তিত ৰাজ্য চৰকাৰে চৰকাৰী চাকৰিৰ ক্ষেত্ৰত প্ৰয়োজনীয় পুলিচ ভেৰিফিকেচনৰ বাবে কে নতুন সিদ্ধান্ত গ্ৰহণ কৰিছে। লোকসেৱা ভৱনত অনুষ্ঠিত এক কেবিনেট বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে এতিয়াৰে পৰা চৰকাৰী চাকৰি পোৱাৰ ছমাহৰ ভিতৰত পুলিচ ভেৰিফিকেচন ৰিপ'ৰ্ট দিব লাগিব। পুলিচ ভেৰিফিকেচন ৰিপ'ৰ্ট নিদিয়ালৈকে চাকৰিটো প্ৰভিজনেল হৈ থাকিব। কিন্তু ছমাহৰ ভিতৰত পুলিচে ভেৰিফিকেচন ৰিপ'ৰ্ট নিদিলে চাকৰিটো নিজে নিয়মীয়া হ'ব। ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ বাবে কৃষি আয়কৰ ৰেহাই দিয়াৰ সিদ্ধান্ত লোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে বছৰি ১০ লাখ টকা উপাৰ্জন কৰা চাহ খেতিয়কে এতিয়াৰে পৰা কৃষি আয়কৰ দিব নালাগে। গুৱাহাটী বিমান বন্দৰৰ কাষত নিৰ্মাণ হ'বলগীয়া ছেটেলাইট চিটিৰ ভূমি অধিগ্ৰহণৰ বাবে প্ৰয়োজনীয় ৪ হাজাৰ কোটি টকাৰ ভিতৰত২,১০০ কোটি টকা মুকলিৰ বাবে কেবিনেটে অনুমোদন দিয়ে। অহা ছেপ্টেম্বৰৰ প্ৰথম সপ্তাহৰ পৰা মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিখন পুনৰ আৰম্ভ হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কেবিনেটে আঁচনিখন ৰূপায়ণৰ বাবে ১১৮.৫৮ কোটি টকাৰ অনুমোদন দিয়ে। এতিয়াৰে পৰা ৰাজ্যৰ পঞ্চায়তসমূহে মাত্ৰ ৫ টা কামহে কৰিব পাৰিব বুলি উল্লেখ কৰি তেওঁ কয় যে ৭ পৃষ্ঠাত

# ভিডিঅ' কনফাৰেন্সযোগে উজনি অসমৰ বানপৰৱৰ্তী পৰিস্থিতিৰ পৰ্যালোচনা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ১০ আগষ্টত উজনি অসমৰ ক্ৰমে শিৱসাগৰ, চৰাইদেউ, গোলাঘাট আৰু যোৰহাট জিলাৰ আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সযোগে এক বৈঠকত মিলিত হৈ বানপৰৱৰ্তী পৰিস্থিতিৰ বুজ লয়। বানপানীৰ জলস্তৰ হ্ৰাস পোৱাৰ লগে লগে এতিয়া সাহায্যৰ পৰা পুনৰ্সংস্থাপন আৰু পুনৰ্নিৰ্মাণৰ দিশত গুৰুত্ব আৰোপ কৰা হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই সভাৰ জৰিয়তে জিলা প্ৰশাসনক আধাৰ পৰীক্ষণৰ জৰিয়তে প্ৰতিগৰাকী ক্ষতিগ্ৰস্ত পৰিয়াললৈ সময়মতে চৰকাৰী সাহায্য প্ৰদান সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। লগতে বানপানীৰ ফলত ক্ষতিগ্ৰস্ত অংগনৱাড়ী কেন্দ্ৰসমূহলৈ প্ৰয়োজনীয় সহায় ক্ষিপ্ৰতাৰে আগবঢ়োৱাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। উল্লেখ্য যে, এনে সংকটৰ সময়ত বানাক্ৰান্ত ৰাইজৰ কাষত দৃঢ়ভাৱে থিয় দিয়াৰ পৰা আৰম্ভ কৰি এতিয়া পুনৰ্সংস্থাপন আৰু পুনৰ্নিৰ্মাণৰ নেতৃত্ব লোৱালৈকে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এই সকলোখিনি সুকলমে চলি থকাত বানপীড়িত ৰাইজে সন্তোষ প্ৰকাশ কৰিছে।

# ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ পথ সুগম কৰাৰ লক্ষ্যৰে প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্টছ প্ৰাইভেট লিমিটেডৰ এক প্ৰশংসনীয় পদক্ষেপ



**ৰমেন ভৰালী, বংশৰ ঃ** বানত বিধ্বস্ত উজনিৰ বিদ্যালয়সমূহৰ আন্তঃগাঁথনি পুনৰ নিৰ্মাণ আৰু ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ পথ সুগম কৰাৰ লক্ষ্যৰে প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্টছ প্ৰাইভেট লিমিটেডৰ এক প্ৰশংসনীয় পদক্ষেপ। নাজিৰা আৰু ডিমৌ সমষ্টিৰ ২০খন বিদ্যালয়লৈ মুঠ ১ কোটি টকাৰ ৭ পৃষ্ঠাত

# বানপীড়িত কৃষকৰ মাজত ২০০০ আশী কঠীয়া বিতৰণ কৃষক নেতা ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যৰ



**ৰমেন ভৰালী, বংশৰ ঃ** উজনিৰ তিনিখন জিলাৰ শেহতীয়াকৈ কালৰূপ ধাৰণ কৰা প্ৰলয়ংকৰী বানৰ তাণ্ডৱৰ পিছত ক্ষতিগ্ৰস্ত কৃষকসকলৰ পুনৰ সংস্থাপন আৰু সহায়ৰ বাবে আগবাঢ়ি আহিছে ভাৰতীয় জনতা পাৰ্টিৰ অসম ৰাজ্যিক কৃষক মৰ্চা। ১০ আগষ্টত চৰাইদেউ জিলাৰ মাহমৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত ঐতিহাসিক টেঙাপুখুৰীত অসম ৰাজ্যিক কৃষক মৰ্চাৰ উদ্যোগত তথা কৃষক নেতা ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যৰ নেতৃত্বত বানপীড়িত কৃষকৰ মাজত ২,০০০ আশী কঠীয়া বানপীড়িত কৃষক ৰাইজৰ সৈতে প্ৰত্যক্ষ বাৰ্তালাপেৰে আৰু সাহায্য বিতৰণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে বানৰ ফলত শস্য আৰু সা-সম্পত্তি হেৰুৱাই দিশহাৰা হোৱা স্থানীয় খেতিয়কসকলৰ জৰুৰী প্ৰয়োজনীয়তা আৰু বিভিন্ন সমস্যাৰ বিষয়ে বিশদভাৱে আলোচনা কৰে কৃষক নেতা ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই। বানৰ পাছত পথাৰত পুনৰ শস্য উৎপাদন সুনিশ্চিত কৰি খেতিয়কসকলক স্বাৱলম্বী কৰি তোলাৰ উদ্দেশ্যে কৃষক মৰ্চাৰ তৰফৰ পৰা বিশেষ পদক্ষেপ গ্ৰহণ কৰা হয়। অনুষ্ঠানত বানপীড়িত কৃষকসকলৰ মাজত ২,০০০ আশী কঠীয়া বিতৰণ কৰাৰ উপৰি পথাৰত প্ৰত্যক্ষভাৱে কিছু কঠীয়া ৰোপণ কৰি কৃষক নেতা ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই উপস্থিত কৃষক ৰাইজক বিশেষভাৱে উৎসাহিত কৰে। বানাক্ৰান্ত পৰিয়ালসমূহৰ দৈনন্দিন জীৱনৰ কষ্ট লাঘৱ কৰাৰ উদ্দেশ্যে কৃষক মৰ্চা আৰু জালুকবাৰী ৭ পৃষ্ঠাত

# জালুকবাৰী সমষ্টিৰ পৰা সাহায্য সামগ্ৰী বিতৰণৰ শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীৰ



**ৰমেন ভৰালী, বংশৰ ঃ** দুৰ্যোগৰ সময়ত কেৱল সমবেদনা জ্ঞাপনেই যথেষ্ট নহয়, প্ৰয়োজন হৈছে কাষত থিয় দিয়াৰ, হাতত হাত মিলাই ৭ পৃষ্ঠাত

# আজিৰ আমাৰ ভাৰতীয় ত্ৰিৰংগা পতাকা

■ **শংকৰ দেৱ,** দেৰগাঁও

**'ত্ৰিৰঙ্গা'**-এই শব্দটোৱেই প্ৰতিজন ভাৰতীয়ৰ হৃদয়ত দেশপ্ৰেম, গৌৰৱ আৰু আত্ম মৰ্যদাৰ অনুভূতি জগাই তোলে। ভাৰতীয় এই জাতীয় পতাকাখন কেৱল এডোখৰ কাপোৰৰ টুকুৰাই নহয়, ই হৈছে স্বাধীনতা সংগ্ৰামৰ ত্যাগ, সাহস, ঐক্য, বৈচিত্ৰ্যৰ মাজত একতা আৰু গণতান্ত্ৰিক মূল্যবোধৰ এক জীৱন্ত প্ৰতীক। সহস্ৰাধিক ভাৰতীয় স্বাধীনতা সংগ্ৰামীৰ আত্মবলিদান, সহস্ৰ বিপ্লৱীৰ ৰক্ত আৰু জাতিৰ অদম্য সংগ্ৰামৰ ইতিহাস এই পতাকাৰ সৈতে চিৰদিনৰ বাবে জড়িত হৈ আছে।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত বিভিন্ন পৰ্যায়ত বিভিন্ন ধৰণৰ জাতীয় পতাকাৰ ব্যৱহাৰ কৰা হৈছিল। যেনেকৈ ৭ আগষ্ট, ১৯০৬ চনত প্ৰথমবাৰৰ বাবে কলকাতাৰ পাৰ্চী বাগানত জাতীয় পতাকা উত্তোলন কৰা হৈছিল। সেইদৰে ১৯২১ চনত দেশপ্ৰেমিক পিংগলি ভেঙ্কাইয়াই মহাত্মা গান্ধীৰ ওচৰত এখন পতাকাৰ নক্সা উপস্থাপন কৰে। এনেধৰণেৰে বহু পৰ্যালোচনা আৰু সংশোধনৰ অন্তত ১৯৪৭ চনৰ ২২ জুলাইত ভাৰতৰ সংবিধান সভাই বৰ্তমানৰ ত্ৰিৰঙ্গাক স্বাধীন ভাৰতৰ চৰকাৰী ৰাষ্ট্ৰীয় পতাকা হিচাপে গৃহীত কৰে। এই সিদ্ধান্তই স্বাধীনতাৰ পূৰ্ব মুহূৰ্ততে সমগ্ৰ দেশবাসীক এক নতুন আত্মবিশ্বাস আৰু জাতীয় পৰিচয় প্ৰদান কৰিছিল।

এই জাতীয় পতাকাৰ প্ৰতিটো ৰঙৰ তাৎপৰ্য আছে। পতাকাৰ ওপৰৰ গেৰুৱা ৰং সাহস, ত্যাগ, আত্মসংযম আৰু দেশসেৱাৰ প্ৰতীক। মাজৰ বগা ৰং সত্য, শান্তি, সততা আৰু ন্যায়ৰ পথৰ প্ৰতীক। তলৰ সেউজীয়া ৰং কৃষি, প্ৰকৃতি, সমৃদ্ধি, উৎপাদনশীলতা আৰু আশা-আকাংক্ষাৰ প্ৰতীক। সেইদৰে বগা অংশৰ মাজত থকা ২৪ টা দণ্ড যুক্ত আকাশী নীলা অশোক-চক্ৰ সম্ৰাট অশোকৰ সাৰনাথৰ সিংহ স্তম্ভৰ ধৰ্ম চক্ৰৰ পৰা গ্ৰহণ কৰা হৈছে। এই চক্ৰই ন্যায়, কৰ্তব্য, গতিশীলতা, সত্য আৰু নিৰন্তৰ অগ্ৰগতিৰ বাণী বহন কৰে। ২৪ টা দণ্ডক দিনটোৰ ২৪ ঘণ্টা কৰ্ম, সততা আৰু আগবাঢ়ি যোৱাৰ অনুপ্ৰেৰণা বুলিও ব্যাখ্যা কৰা হয়। এই পতাকাৰ আকাৰ আৰু নিৰ্মাণৰ ক্ষেত্ৰত এক নিৰ্দিষ্ট পৰিসীমা আছে। যেনেকৈ ইয়াৰ দৈৰ্ঘ্য আৰু প্ৰস্থৰ অনুপাত ৩ ঃ ২, সেইদৰে তিনিওটা ৰং সমান প্ৰস্থৰ হয় আৰু মাজত অশোক চক্ৰ সঠিক অনুপাতত অংকিত থাকে। পূৰ্বতে খাদী কাপোৰেৰে পতাকা প্ৰস্তুত কৰাৰ নিয়ম আছিল যদিও সময়ৰ লগে লগে চৰকাৰে নিৰ্দিষ্ট মানদণ্ড অনুসৰি অন্যান্য কাপোৰ ব্যৱহাৰৰো অনুমতি প্ৰদান কৰিছে।

পতাকাৰ সন্মান আৰু নাগৰিকৰ দায়িত্বৰ ক্ষেত্ৰত Flag Code of India, 2002 অনুসৰি প্ৰতিজন ভাৰতীয় নাগৰিকে জাতীয় পতাকা উত্তোলন কৰিব পাৰে। কিন্তু পতাকাৰ সন্মান ৰক্ষা কৰাটো সকলোৰে দায়িত্ব। যেনেকৈ পতাকা কেতিয়াও মাটিত পৰিবলৈ দিব নালাগে। ফটা, মলিন বা ক্ষতিগ্ৰস্ত পতাকা ব্যৱহাৰ কৰিব নোৱাৰি।

পতাকাক বাণিজ্যিক বিজ্ঞাপন, সাজ-পোছাক বা অসম্মানজনক উদ্দেশ্যত ব্যৱহাৰ কৰা উচিত নহয়।

উত্তোলন আৰু অৱতৰণৰ সময়ত জাতীয় মৰ্যাদা অক্ষুণ্ণ ৰাখি শিষ্টাচাৰ মানি চলিব লাগে।

'আজাদী কা অমৃত মহোৎসৱ' উপলক্ষে ২০২২ চনত আৰম্ভ হোৱা 'হৰ ঘৰ ত্ৰিৰংগা' অভিযানৰ মূল উদ্দেশ্যই আছিল যে প্ৰতিজন ভাৰতীয়ৰ মনত জাতীয় পতাকাৰ প্ৰতি অধিক সন্মান আৰু দেশপ্ৰেম জগাই তোলা। এই অভিযানৰ ফলত দেশৰ চহৰ-গাঁও সকলো ঠাইৰ প্ৰতি ঘৰতেই ত্ৰিৰংগা পতাকা উত্তোলন কৰা হৈছিল।

ভাৰতীয় সংবিধানে জাতীয় পতাকাক দেশৰ সাৰ্বভৌমত্ব, ঐক্য আৰু অখণ্ডতাৰ প্ৰতীক হিচাপে স্বীকৃতি দিয়ে। সংবিধানৰ অনুচ্ছেদ ৫১ (ক) (ক) অনুসৰি প্ৰতিজন নাগৰিকৰ মৌলিক কৰ্তব্য হ'ল সংবিধান, জাতীয় পতাকা আৰু জাতীয় সংগীতক সন্মান জনোৱা।

আজিৰ এই ত্ৰিৰংগা স্বাধীনতাৰ ইতিহাস, বৰ্তমানৰ শক্তি আৰু ভৱিষ্যতৰ আশাৰ প্ৰতীক। এই পতাকাই আমাক শিকায় যে জাতি, ধৰ্ম, ভাষা বা অঞ্চলৰ পাৰ্থক্যৰ উৰ্দ্ধত উঠি আমি সকলোৱে প্ৰথমে ভাৰতীয়। সেয়েহে ত্ৰিৰংগাৰ সন্মান ৰক্ষা কৰা, ইয়াৰ মৰ্যাদা অক্ষুণ্ণ ৰখা আৰু নতুন প্ৰজন্মৰ মাজত ইয়াৰ আদৰ্শ বিস্তাৰ কৰাটো প্ৰতিজন ভাৰতীয়ৰ পৱিত্ৰ কৰ্তব্য। ত্ৰিৰংগা চিৰদিন ভাৰতৰ গৌৰৱ, ঐক্য আৰু স্বাধীনতাৰ অমৰ প্ৰতীক হৈ উৰি থাকক।

**ম'বাইল ঃ** ৭০০২৭-৮১৮৪১

# অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ফুলগুৰি-উত্তৰ পেটবঢ়া শাখা গঠন শতাধিকৰ কণ্ঠত মৃত্যু জিনাৰ গান



**লক্ষ্যজ্যোতি বৰা ঃ** আবৃত্তি কলাক প্ৰতিটো প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ প্ৰয়াসেৰে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদে লোৱা পদক্ষেপক সন্মান জনাই সাংস্কৃতিক কৰ্মী জিনু বৰাৰ আহ্বানত যোৱা ৮ আগষ্ট তাৰিখ শনিবাৰে উত্তৰ পেটবঢ়া প্ৰাথমিক বিদ্যালয়ত এখনি বিশেষ সভা আৰু প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। ঘাঁহী গাঁও পঞ্চায়তৰ ৱাৰ্ড সদস্যা ৰূপা বণিয়াই ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰাৰ পাছতে নয়নাভিৰাম নামতি দলৰ জনপ্ৰিয় মুখ্য নামতি তথা শিল্পী খুচীমণি শইকীয়াই বৰগীত পৰিৱেশনৰে সভাৰ শুভাৰম্ভণি কৰে। ইয়াৰ পাছতেই বিশিষ্ট সাহিত্যিক তথা শিক্ষাবিদ মঞ্জুৰাণী লস্কৰে সভাপতিত্ব কৰা সভাখনত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে, ব্যৱহাৰিক জীৱনত আবৃত্তি শিক্ষণৰ প্ৰয়োজনীয়তা সম্পৰ্কে মনোজ্ঞ বক্তৃতা প্ৰদান কৰে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ৰাজ্যিক সহকাৰী সম্পাদক দুৰ্লভ পৱন বৰুৱা, নগাঁও জিলা সমিতিৰ সভাপতি তথা আবৃত্তি ৰত্ন লক্ষীপ্ৰভা শইকীয়া আৰু বৰঘাট শাখা সমিতিৰ সভাপতি তথা আবৃত্তি ৰত্ন জোনালী বৰাই। প্ৰিয়ব্ৰত যোগী, সংযুক্তা প্ৰিয়দৰ্শিনী আৰু অত্ৰেয়া জোনাক শইকীয়াৰ আবৃত্তিৰে মুখৰিত উক্ত সভাতেই জিনু বৰাক সভাপতি আৰু সুনয়ন শইকীয়াক সম্পাদক ৰূপে লৈ পোন্ধৰজনীয়া ফুলগুৰি-উত্তৰ পেটবঢ়া শাখা সমিতিখন গঠন কৰা হয়। সভাৰ দ্বিতীয় সত্ৰত লক্ষীপ্ৰভা শইকীয়া আৰু জোনালী বৰাৰ নেতৃত্বত প্ৰায় শতাধিক উপস্থিত ব্যক্তিয়ে ড° অমৰ জ্যোতি চৌধুৰীৰ মৃত্যু জিনাৰ গান শীৰ্ষক কবিতা আবৃত্তিৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। উল্লেখ্য যে ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি পৰিৱেশন হ'বলগা কবিতাটিৰ প্ৰশিক্ষণ শিবিৰ আৰু সমিতি গঠন সভাত সমাজকৰ্মী মোহিনী মোহন লস্কৰ, টুটুমণি শইকীয়া, সম্প্ৰীতি শইকীয়া, মণিকা বৰকটকী, দুলুমণি বৰা, সোনমণি বৰা, বৰ্শামণি বৰা, মমী দেৱী, ৰুমী শইকীয়া, লাৱণ্য শইকীয়া, পিংকী বৰা প্ৰমুখ্যে ব্যক্তিসকলে অংশগ্ৰহণ কৰে।

# স্বাস্থ্য আৰু চৰিত্ৰ হৈছে ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ মূল কথা

## পি এম শ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাৰ্ষিক বঁটা বিতৰণী সভাত বিশিষ্ট মনোবিজ্ঞানী ডাঃ জয়ন্ত দাস



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** পি এম শ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাৰ্ষিক বঁটা বিতৰণী সভাখন ৮ আগষ্টত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। সেই উপলক্ষে পুৱা ৯.০০ বজাত বিদ্যালয়ৰ পতাকা উত্তোলন কৰে বিদ্যালয়ৰ অধ্যক্ষ সূৰ্য কুমাৰ ভট্টাচাৰ্যই। ৯.৩০ বজাত বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ তথা বিশিষ্ট লেখক প্ৰসন্ন কুমাৰ দাসে ছহীদ বেদী আৰু বিশিষ্ট শিক্ষাবিদ বংকিম চন্দ্ৰ শৰ্মাৰ প্ৰতিমূৰ্ত্তিত পুষ্পাঞ্জলি অৰ্পণ কৰে আৰু বিদ্যালয়খনৰ ভূমিদাতা, প্ৰতিষ্ঠাকালীন সময়ৰে পৰা বিদ্যালয়খনৰ উত্তৰণত অৰিহণা আগবঢ়াই মৃত্যুবৰণ কৰা পবিত্ৰ আত্মাসকলৰ জীৱনৰ স্মৃতি সোঁৱৰণ কৰে। পুৱা ১০.০০ বজাৰ পৰা অনুষ্ঠিত হোৱা মুকলি সভাত সভাপতিত্ব কৰে অসম চৰকাৰৰ অৱসৰী আয়ুক্ত সচিব, সু-সাহিত্যিক, অসম সাহিত্য সভাৰ এগৰাকী বিশিষ্ট পদাধিকাৰী তথা বিদ্যালয়খনৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ অধ্যক্ষ থানেশ্বৰ মালাকাৰে। বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰা অসমৰ এগৰাকী বিশিষ্ট মনোবিজ্ঞানী, সু-লেখক আৰু অভিনেতা ডাঃ জয়ন্ত দাসে তেখেতৰ ভাষণ প্ৰসংগত কয় যে এই বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে হাজো-দমদমা অঞ্চলৰ সমাজখনৰ গুৰি ধৰি এটা ইতিহাস গঢ়ি তুলিছে। তেখেতে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়— জীৱনত সফলতা অৰ্জন কৰিব লাগিলে অকল পাঠ্যপুথিৰ জ্ঞানে নহয়, প্ৰথমে নিজৰ স্বাস্থ্য আৰু চৰিত্ৰ ঠিক কৰি গঢ়ি তুলিব লাগিব বুলি কয়। তাৰোপৰি তেখেতে কয়— ছাত্ৰ-ছাত্ৰীসকলে আধুনিক তথ্য-প্ৰযুক্তিৰ বহতীয়া নহয়, প্ৰযুক্তিক ব্যৱহাৰযোগ্য কৰি বহতীয়া কৰিব পৰাটোতহে গুৰুত্ব দিব লাগিব বুলি কয়। তেখেতে পুৱাৰ ভাগত বিদ্যালয়ৰ এখনি আটকধুনীয়া প্ৰাচীৰ পত্ৰিকাও উন্মোচন কৰে। মুকলি সভাত প্ৰাক্তন অধ্যক্ষ তথা বিশিষ্ট গল্পকাৰ প্ৰসন্ন কুমাৰ দাস, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ উপ-সভাপতি বাবুল চন্দ্ৰ দাস আৰু বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তথা সমাজকৰ্মী মনোমোহন দাসে চমু বক্তব্য আগবঢ়ায়। মুকলি সভাত বাৰ্ষিক প্ৰতিবেদন পাঠ কৰে বিদ্যালয়ৰ অধ্যক্ষ সূৰ্য কুমাৰ ভট্টাচাৰ্যই। অনুষ্ঠানত অঞ্চলটোৰ বিশেষকৈ বিশিষ্ট লেখক তথা অৱসৰী কৃতী শিক্ষক কনক শৰ্মা, দমদমা সাহিত্য সভাৰ সম্পাদক বিনোদ চন্দ্ৰ মালাকাৰ, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ৰাজেন মহন্ত, প্ৰাক্তন ছাত্ৰ নেতা দীনেশ কলিতাকে ধৰি বিশিষ্ট লোকসকল উপস্থিত আছিল। অনুষ্ঠানত মুকলি সভাৰ আৰম্ভণি গীত পৰিৱেশন কৰে বিদ্যালয়ৰ ছাত্ৰীসকলে। অনুষ্ঠানৰ আঁত ধৰে— শিক্ষক হিতেন দাস আৰু কুমুদ ডেকাই। ছায়াস্মিতা দেৱী আৰু তেওঁৰ সহযোগী ছাত্ৰী সকলে সংগীত পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। অনুষ্ঠানত বিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালি প্ৰতিযোগিতা আৰু শ্ৰেণীত কৃতিত্ব ফলাফল দেখুৱা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বঁটা বিতৰণ কৰা হয়। মুকলি সভাৰ পিছত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰি নিজৰ নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰে।

# ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে বোকাখাতত 'স্বচ্ছতা অভিযান'




**মৃদুস্মিতা শৰ্মা, বোকাখাত ঃ** আগন্তুক ৮০ সংখ্যক স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি বোকাখাত পৌৰসভাৰ উদ্যোগত আৰু বোকাখাত সম-জিলা প্ৰশাসনৰ সহযোগত পুৱা ৭ বজাত, বোকাখাতত এক ব্যাপক 'স্বচ্ছতা অভিযান' অনুষ্ঠিত হয়। 'পৰিষ্কাৰ বোকাখাত, সেউজ বোকাখাত, সুস্থ বোকাখাতৰ দিশে' এই মূল বাৰ্তাৰে অনুষ্ঠিত এই অভিযানৰ জৰিয়তে বোকাখাত পৌৰসভাৰ অন্তৰ্গত বিভিন্ন অঞ্চল, ৰাজহুৱা স্থান আৰু আশে-পাশে থকা এলেকাসমূহ পৰিষ্কাৰ কৰা হয়। বোকাখাতৰ সম-জিলা আয়ুক্ত সুজাতা গগৈৰ উপস্থিতিত অনুষ্ঠিত এই স্বচ্ছতা অভিযানত বোকাখাত পৌৰসভাৰ পৌৰপতি ৰত্নেশ্বৰ বৰুৱা, কাৰ্যবাহী বিষয়া সমুজ্বল দাস, তথ্য আৰু জনসংযোগ বিষয়া ড° বৰ্ণালী দত্ত, পৌৰসভাৰ বিভিন্ন বিষয়া-কৰ্মচাৰী, সম-জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী, জ্যেষ্ঠ নাগৰিক, চাফাই কৰ্মচাৰী তথা অন্যান্য সংশ্লিষ্ট ব্যক্তিসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। সমজিলা আয়ুক্ত সুজাতা গগৈয়ে নিজ বক্তব্যত কয় যে - 'স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত দেশপ্ৰেমৰ লগতে পৰিৱেশ সুৰক্ষা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি সামূহিক দায়বদ্ধতা বৃদ্ধি কৰাৰ উদ্দেশ্যে এই স্বচ্ছতা অভিযান গ্ৰহণ কৰা হৈছে।' তদুপৰি, পৌৰসভাৰ পৌৰপতি ৰত্নেশ্বৰ বৰুৱাই নিজ ভাষণত স্বচ্ছ বোকাখাত গঢ়াৰ ক্ষেত্ৰত প্ৰশাসন, পৌৰসভা আৰু নাগৰিক সমাজৰ সামূহিক অংশগ্ৰহণেই মূল শক্তি বুলি ব্যক্ত কৰে। পৰিষ্কাৰ-পৰিচ্ছন্নতাৰে আৱৰ্জনা য'তে-ত'তে নেপেলাই, বোকাখাতক এখন পৰিষ্কাৰ, সেউজীয়া আৰু স্বাস্থ্যসন্মত নগৰ হিচাপে গঢ়ি তুলিবলৈ তেখেতে উপস্থিত সকলোকে আহ্বান জনায়।

# হাজোত আধুনিক শিক্ষাৰ দুশ বছৰ

■ পৰেশ বৈশ্য

ব্ৰিটিছে অসম অধিকাৰ কৰাৰ পূৰ্বে অসমত আধুনিক শিক্ষাৰ গজালি মেলা নাছিল। সেই সময়ত টোল বা মোক্তাবৰ জৰিয়তে অনানুষ্ঠানিক শিক্ষা ব্যৱস্থা চলি আছিল। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধি অনুসৰি অসমখন ইংৰাজৰ হাতলৈ যায়। লগে ব্ৰিটিছ প্ৰশাসনে অসমৰ প্ৰশাসনিক দিশটো পৰিচালনাৰ ব্ৰিটিছ এজেণ্ট হিচাপে ডেভিদ স্কট চাহাবক অসমলৈ পঠিয়ায়।

ডেভিদ স্কটে অসমলৈ আহিয়েই আধুনিক শিক্ষাৰ পাতনি মেলি প্ৰথমতে ১৮২৬ চনত ১১ খন প্ৰাথমিক বিদ্যালয় স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই ১১ খন প্ৰাথমিক বিদ্যালয়ৰ ভিতৰত এখন স্থাপন কৰিছিল কামৰূপ জিলাৰ হাজোত। ইয়াৰ উপৰিও ন-দুৱাত দুখন, গুৱাহাটী, নীলাচল, পাতি-দৰং, বজালী, শিলা, বিশ্বনাথ, নগাঁও, দেশ-দৰং (মঙলদৈ)ত একোখনকৈ প্ৰাথমিক বিদ্যালয় স্থাপন কৰিছিল বুলি তথ্য পোৱা যায়। হাজোত পতা প্ৰথমখন প্ৰাথমিক বিদ্যালয়েই বৰ্তমানৰ 'হাজো বালক উচ্চ বুনিয়াদী বিদ্যালয়' বুলি বহুতে ক'ব খোজে। ডেভিদ স্কটে পতা এই প্ৰাথমিক বিদ্যালয়সমূহৰ শিক্ষকসকলক দৰমহাৰ পৰিৱৰ্তে দিয়া হৈছিল ৩০ পুৰাকৈ নিষ্পিখেৰাজ মাটি। তাৰ বিনিময়ত প্ৰতিজন শিক্ষকে ৩০ জনকৈ ছাত্ৰক পঢ়াব লগা হৈছিল। প্ৰথমতে এই এঘাৰখন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাৰ মাধ্যম আছিল সংস্কৃত। পাছলৈ বঙালী মাধ্যমতো ছাত্ৰসকলে পঢ়িব লগা হৈছিল। এই এঘাৰখন প্ৰাথমিক বিদ্যালয়ত ছোৱালীয়ে পঢ়াৰ কোনো তথ্য পোৱা নাযায়।

আনহাতে ডেভিদ স্কটে হাজোত প্ৰথমখন প্ৰাথমিক বিদ্যালয় স্থাপনৰ পাছত আন কোনখন বিদ্যালয় হাজোত স্থাপন হৈছিল,বা কেতিয়া স্থাপন হৈছিল তাৰ সঠিক তথ্য পোৱা নাযায়। কিন্তু 'সদৰামীনৰ আত্মজীৱনী'ত হাজোত ১৮৪২-৪৩ চন মানত আন এখন প্ৰাথমিক বিদ্যালয় স্থাপনৰ তথ্য পোৱা গৈছে। আত্মজীৱনীত সেই তথ্য এনেদৰে পোৱা যায় ঃ 'এবং হাজোত এটা ইস্কুল ঘৰ কৰিবৰ সৰকাৰৰ পৰা আদেশ হোৱাতে বলোদেও শৰ্মা ৰাজখোৱাকে কৰিবৰ আজ্ঞা দেওৱা হৈছিল। কিন্তু হীনত্তৰ কৰ্ম কৰিব দিয়া বুলি তাচ্ছিল্য জ্ঞান কৰাতে কানুৰাম শৰ্মা পুৰুহিতকে কৰিবৰ আজ্ঞা দিয়াত তেওঁ ঠাকুৰীয়াদি মানুহ নি তৈয়াৰ কৰালে। এহাতে তেওঁৰ প্ৰতি বৰ সন্তোষ হ'লো। (উৎস ঃ সদৰামীনৰ আত্মজীৱনী, পৃষ্ঠা ৩৭, সংস্কৰণ ১৯৯১, মাৰ্চ)। আত্মজীৱনীখনত স্কুলখন স্থাপন প্ৰসংগত উল্লেখ থকা কানুৰাম শৰ্মা নামৰ পুৰোহিত গৰাকীৰ ঘৰ আছিল বৰ্তমানৰ মনাহকুছি-নকুছি অঞ্চলত। ইয়াৰ পাছত হাজোৰ নিকটৱৰ্তী অঞ্চলত কেইবাখনো প্ৰাথমিক বিদ্যালয় স্থাপন হয়। উল্লেখযোগ্য যে ডেভিদ স্কটৰ দিনত অসমত ইংৰাজী শিক্ষাৰ কোনো শিক্ষানুষ্ঠান স্থাপন হোৱাৰ তথ্য পোৱা নাযায়। ১৮৩১ চনত ডেভিদ স্কটৰ মৃত্যু হোৱাত ১৮৩৪ চনত কেপ্টেইন জেনকিন্স অসমৰ কমিছনাৰ হয়। তেওঁৰ দিনতে অসমত ইংৰাজী শিক্ষাৰ অনুষ্ঠান আৰম্ভ হয়। অৱশ্যে ব্ৰিটিছে অসমত ইংৰাজীৰ শিক্ষাৰ অনুষ্ঠান পতাৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰেহে গুৰুত্ব দিছিল। সেইমতে গুৱাহাটীত ১৮৩৫ চনত প্ৰথমখন ইংৰাজী স্কুল স্থাপন কৰে। স্কুলখনৰ নাম আছিল গুৱাহাটী গভৰ্ণমেণ্ট চেমিনাৰী। সেইখনেই গুৱাহাটীৰ কটন কলেজিয়েট স্কুল। গুৱাহাটীত চেমিনাৰীখন স্থাপনৰ প্ৰায় ৮০ বছৰ পাছতহে হাজোত ইংৰাজী শিক্ষাৰ বিদ্যালয় স্থাপনৰ উকমুকনি উঠে।

১৯১৬ চনৰ কথা। হাজোত এখন ইংৰাজী শিক্ষাৰ অনুষ্ঠান পতাৰ বাবে যো-জা চলে। অঞ্চলৰ দুই চাৰিজন ধনী মানুহক এইক্ষেত্ৰত আগভাগ ল'বলৈ অনুৰোধ কৰা হ'ল যদিও কেনেকৈ হাত-ভৰি নাপাতিলে। তেতিয়া বিষ্ণুৰাম মেধি, ৰঘুনাথ চৌধাৰী, জীউৰাম দাস, শ্ৰদ্ধাচৰণ চৌধুৰী আদি ব্যক্তিৰ অনুৰোধত সেই সময়ৰ হাজোৰ সম্পত্তিশালী ব্যক্তি কান্দাৰাম ভৰালীয়ে (১৮৬৯-১৯৬১) হাজোত এখন মধ্য ইংৰাজী বিদ্যালয় স্থাপনৰ বাবে মাটি-বাৰী দি পৃষ্ঠপোষকতা কৰিবলৈ সন্মত হয়। তেওঁ আছিল হাজো অঞ্চলত 'চিকাৰী বুঢ়া' হিচাপে খ্যাত লেপাং ভৰালীৰ ল'ৰা। ক'বলৈ গ'লে কান্দাৰাম ভৰালী আছিল অনাখৰী, কিন্তু বিদ্যানুৰাগী ব্যক্তি। দানবীৰ কান্দাৰাম ভৰালী আছিল নিঃসন্তান। তেওঁ নিজৰ পিতৃৰ নামত এখনি মাইনৰ স্কুল স্থাপনৰ বাবে আগবাঢ়ি আহিল। বিদ্যালয়খন প্ৰতিষ্ঠাৰ বাবে ৰাইজৰ পৰা সহমত আদায়ৰ বাবে ১৯১৬ চনত হাজোৰ গোমোঠাৰগুৰিত এখনি ৰাজহুৱা সভা বহিল। সভালৈ দলিবাৰী, দদৰা, আমিনগাঁও, মুকালমুৱা, কমাৰকুছি, ৰামদিয়া, বামুন্দি, শুৱালকুছি কুলহাটী অঞ্চলৰ মানুহ আহিল। সভালৈ আহিল ব্ৰিটিছ প্ৰশাসনৰ শিক্ষা বিভাগৰ প্ৰতিনিধিও। সভাত কান্দৰাম ভৰালীয়ে প্ৰস্তাৱিত মাইনৰ স্কুলখন তেওঁৰ দেউতাকৰ নামত দিবলৈ প্ৰস্তাৱ দিয়ে। প্ৰথমতে সভাত ৰাইজেও হৰ্ষধ্বনিৰে সন্মতি জনালে যদিও আৱেগিক হৈ কান্দাৰামৰ পিতৃ লেপাং ভৰালীয়ে তেওঁৰ সলনি নিজৰ মৰমৰ পুত্ৰ কান্দা ৰামৰ নামতহে বিদ্যালয়খনৰ নামকৰণ কৰিবলৈ ৰাইজক আহ্বান জনায়। পাছত ৰাইজে সেইমতে প্ৰস্তাৱ গ্ৰহণ কৰি 'কান্দাৰাম মাইনৰ স্কুল' পতাৰ চূড়ান্ত ৰূপ দিয়ে। ৰাইজে বাপেক-পুতেক দুয়োকে সভাস্থলীতেই গামোচাৰে উষ্ম আদৰণি জনায়। এনেকৈ হাজোত ইংৰাজী শিক্ষাৰ আৰম্ভণি হ'ল। অৰ্থাৎ হাজোত আধুনিক শিক্ষাৰ আৰম্ভণিৰ প্ৰায় নব্বৈ বছৰ পাছতহে হাজোৱে ইংৰাজী শিক্ষাৰ সোৱাদ ল'বলৈ সক্ষম হ'ল। এগৰাকী অনাখৰী ব্যক্তিৰ বদান্যতাৰ বাবেই আজিৰ পৰা এশ বিশ বছৰ পূৰ্বে হাজো অঞ্চলে ইংৰাজী শিক্ষাৰ পোহৰ পালে। তাৰবাবে বৃহত্তৰ হাজো অঞ্চলৰ ৰাইজ সদায় কান্দাৰাম ভৰালীৰ ওচৰত প্ৰজন্মৰ পাছত প্ৰজন্মধৰি কৃতজ্ঞ হৈ থাকিব লাগিব।

হাজোত ইংৰাজী শিক্ষাৰ সূচনা হোৱাৰ প্ৰায় কুৰি বছৰ পাছত মাধ্যমিক শিক্ষাৰ উত্তৰণৰ বাবে প্ৰয়াস চলে। আগভাগ ল'লে সেই সময়ৰ ৰামদিয়াৰ প্ৰখ্যাত অধিবক্তা দীননাথ মেধিয়ে। স্থানীয় কেইজনমান উদ্যমী যুৱকৰ সহযোগত আৰম্ভ হ'ল মাধ্যমিক শিক্ষাৰ অনুষ্ঠান পতাৰ প্ৰস্তুতি। হাত উজান দিলে বিষ্ণুৰাম মেধিয়ে। ১৯৩৬ চনৰ পহিলা মাৰ্চত হাজোৰ মাধৱ দেৱালয়ৰ দোমোঠাৰ গুৰিত বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ উপস্থিতিত ৰাজহুৱা সভা বহে। সভাত সভাপতিত্ব কৰিলে বিষ্ণুৰাম মেধিয়ে। সভালৈ হাজো, কুলহাটী, ৰামদিয়া, দামপুৰ, শুৱালকুছি, দদৰা, দলিবাৰী আদি অঞ্চলৰ মানুহৰ লানি নিছিগা সোঁত বয়। তাতেই গঠন হ'ল 'হাজো কেন্দ্ৰীয় শিক্ষা বিস্তাৰ সমিতি'। ১০০ টকা বৰঙণি দিয়াসকলক সমিতিৰ স্থায়ী সদস্য কৰাৰ প্ৰস্তাৱ কৰা হয়। সভাত সমিতিৰ সভাপতি হিচাপে বিষ্ণুৰাম মেধি আৰু সম্পাদক হিচাপে দীননাথ মেধিক নিৰ্বাচিত কৰা হয়। এই সভাতেই দানবীৰ কান্দাৰাম ভৰালীয়ে হাজো কেন্দ্ৰীয় শিক্ষা বিস্তাৰ সমিতিক তেওঁৰ মাইনৰ স্কুলৰ ঘৰ- মাটি, আচবাব দান দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। সেইবছৰেই মাইনৰ স্কুলৰ এটি সৰু কোঠাত সপ্তম শ্ৰেণীটো খুলি হাইস্কুলখনৰ শুভাৰম্ভ কৰা হয়। সেইদিনা আছিল ১৯৩৬ চনৰ ৪ মাৰ্চ। লগে লগে বিনা বেতনে শিক্ষকতা কৰিবলৈ হংসধৰ দাস আৰু নাৰায়ণ চন্দ্ৰ দাস আগবাঢ়ি আহিল। হংসধৰ দাসক প্ৰধান শিক্ষকৰ দায়িত্ব দিয়া হ'ল। নাৰায়ণ চন্দ্ৰ দাসে স্কুল এৰি যোৱাত অন্নৰাম দাস নামৰ আন এজন শিক্ষক আহে। পাছত সেইবছৰৰ নৱেম্বৰ মাহৰ পৰা হংসধৰ দাসক মাহে ১০ টকাকৈ বেতন দিয়াৰ সিদ্ধান্ত হয়। মাধৱ চন্দ্ৰ দাস নামৰ এজনক মাহে এটকা বেতনত চকীদাৰ হিচাপে নিযুক্তি দিয়া হয়। এইদৰে হাইস্কুলখনৰ শ্ৰেণীসমূহ বাঢ়ি গৈ ১৯৩৯ চনত দশম শ্ৰেণী আৰম্ভ হয়।

ইফালে কান্দৰাম ভৰালীয়ে ৰাজহুৱা সভাত দিয়া প্ৰতিশ্ৰুতিমতে মাইনৰ স্কুলৰ ঘৰ-মাটি, আচবাব হাজো কেন্দ্ৰীয় শিক্ষা বিস্তাৰ সমিতিক হস্তান্তৰ কৰাত বিলম্ব কৰাত সমিতিয়ে নিজৰ নামত সাত বিঘা দুই কঠা যোল্ল লেচা মাটি কিনি লয়। সেই মাটিত হাইস্কুলৰ ঘৰ বান্ধিবলৈ আৰম্ভণি কৰে। এই ঘৰ-দুৱাৰ সাজিবলৈ মাধৱ দেৱালয় কৰ্তৃপক্ষ, ব্যৱসায়ী ৰাজকুমাৰ হিমৎচিংকাৰ লগতে হাজোৰ স্থানীয় লোকৰপৰাও এটকীয়া চান্দা সংগ্ৰহ কৰা হয়। পাছত কান্দাৰাম ভৰালীয়ে নিজৰ প্ৰতিশ্ৰুতি পালন কৰিবলৈ আগবাঢ়ি অহাত তেওঁৰ মাটিত হাইস্কুলখনৰ নতুন গৃহৰ নিৰ্মাণ কাৰ্য চলে। ১৯৩৮ চনৰ চৰ জানুৱাৰীত হাজো কেন্দ্ৰীয় শিক্ষা বিস্তাৰ সমিতি আৰু কান্দাৰাম ভৰালীৰ মাজত এখনি দান-দলিল স্বাক্ষৰিত হয়। দলিলত তেওঁ দুটা চৰ্ত ৰাখে। প্ৰথম চৰ্ত হ'ল ১০০ টকীয়া বৰঙণি নিদিয়াকৈয়ে তেওঁক হাজো কেন্দ্ৰীয় শিক্ষা বিস্তাৰ সমিতিৰ আজীৱন সদস্য কৰি ৰাখিব লাগিব। আনটো চৰ্ত মতে হাইস্কুলখনৰ নামৰ লগত তেওঁৰ নামটো সংযুক্ত হৈ থাকিব লাগিব, অৱশ্যে তেওঁৰ নামৰ লগত অন্য নামো সংযোগ কৰাত তেওঁৰ আপত্তি নাথাকিব। অন্যথা তেওঁক দুহেজাৰ টকা ক্ষতিপূৰণ দিব লাগিব। পাছত এই দলিলখন ৰেজিষ্ট্ৰেচন কৰা হয়। হাইস্কুলখনৰ নামত কান্দাৰাম ভৰালীৰ নামৰ লগতে শিক্ষা বিস্তাৰ সমিতিৰ নামটো ৰখা হয়। ফলত হাইস্কুলখনৰ নাম হ'লগৈ 'হাজো শিক্ষা বিস্তাৰ সমিতিৰ কান্দাৰাম ইনষ্টিটিউট'। ১৯৩৯ চনৰ পহিলা মাৰ্চৰ পৰা কান্দাৰাম মাইনৰ স্কুলখন হাইস্কুলৰ সৈতে চামিল হয়। ১৯৩৯ চনৰ পহিলা জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ কলিকতা বিশ্ববিদ্যালয়ে হাইস্কুলখনক স্বীকৃতি প্ৰদান কৰে। ১৯৪০ চনৰ মাৰ্চত এই বিদ্যালয়খনৰ পৰা প্ৰথমবাৰৰ বাবে মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হয় আৰু পাঁচজন ছাত্ৰ উত্তীৰ্ণ হয়।

ইফালে বিয়াল্লিছৰ গণ আন্দোলনৰ সময়ত অহিংস আন্দোলনে হিংসাত্মক ৰূপ লোৱাৰ ফলত কোনোৱে বিদ্যালয়খনৰ ঘৰ-দুৱাৰত অগ্নি সংযোগ কৰে। ১৯৪৩ চনতো বিদ্যালয়ৰ ঘৰত অগ্নি সংযোগ হয়। পাছত ৰাইজে খেৰ বাঁহ সংগ্ৰহ কৰি অশেষ কষ্ট কৰি বিদ্যালয় ভৱন নিৰ্মাণ কৰিব লগা হয়। এইখিনিতে উল্লেখ কৰিব লাগিব যে অকল কান্দাৰাম ভৰালীয়েই নহয়, বহুতো লোকে বিদ্যালয়খনক মাটি দান দিছিল। তালিকা দীঘলীয়া হোৱাৰ ভয়ত সবিশেষ উল্লেখ নকৰিলো। চৰকাৰী নথি-পত্ৰ মতে বিদ্যালয়খনৰ নামত প্ৰায় ২৯ বিঘা মাটি আছে।

যাহওক, হাজো শিক্ষা বিস্তাৰ সমিতিৰ কান্দাৰাম হাইস্কুল প্ৰতিষ্ঠাৰ প্ৰায় ২২ বছৰ পাছতহে এইখন উচ্চতৰ মাধ্যমিক পৰ্যায়লৈকে উন্নীত হয়। ১৯৫৮ চনত বিদ্যালয়খন উচ্চতৰ মাধ্যমিকলৈ উন্নীত হয়। কলা আৰু বিজ্ঞান দুয়োটা শাখা আৰম্ভ হয়। চৰকাৰী নীতিৰ পৰিৱৰ্তন ফলত ১৯৭৭ চনৰ পহিলা অক্টোবৰৰ পৰা বিদ্যালয়খন প্ৰাদেশিকীকৰণ হয়। সম্প্ৰতি উক্ত বিদ্যালয়খন Hajo SBSKR Higher Secondary School হিচাপে জনাজাত।

১৯৫৮ চনত এই বিদ্যালয়খন উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ উন্নীত হ'ল যদিও হাজোৱে উচ্চ শিক্ষাৰ পোহৰ দেখিবলৈ ইয়াৰ পাছত আৰু প্ৰায় ২১ বছৰ কাল অপেক্ষা কৰিব লগা হ'ল। ১৯৭৯ চনত হাজোত স্থাপন হ'ল 'হাজো আঞ্চলিক মহাবিদ্যালয়'। কিন্তু এই মহাবিদ্যালয়খনো 'হাজো শিক্ষা বিস্তাৰ সমিতিৰ কান্দাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়'ৰ ভূমিতেই শুভাৰম্ভ হৈছিল। এই বিদ্যালয়খনৰ চৌহদতেই মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ চলিছিল। পাছত ধোপৰগুৰি সত্ৰৰ পৰা মাটি পোৱাত আৰু হাজোৰ সেই সময়ৰ বিশিষ্ট ব্যৱসায়ী সুৰেন দাসৰ পৰিয়ালৰ বদান্যতাত মহাবিদ্যালয়খনৰ দুমহলীয়া আৰচিচি বিল্ডিংটো নিৰ্মাণ হোৱাত বৰ্তমানৰ স্থানত মহাবিদ্যালয়খনৰ নাম 'সুৰেন মহাবিদ্যালয়' নামেৰে নামকৰণ কৰা হয়। ১৮২৬ চনৰ পৰা ২০২৬ চনলৈকে এই দুশ বছৰীয়া সময়ছোৱাত হাজোত আন কেইবাখনো হাইস্কুল, মধ্য ইংৰাজী বিদ্যালয়, প্ৰাথমিক বিদ্যালয় বা আন ভালেমান বেচৰকাৰী বিদ্যালয় প্ৰতিষ্ঠা হয়। কিন্তু হাজোত আধুনিক শিক্ষাৰ দুশ বছৰীয়া ইতিহাসত (১৮২৬-২০২৬) কান্দাৰাম ভৰালীৰ মাইনৰ স্কুলৰ ভেঁটিত গঢ় লোৱা 'হাজো শিক্ষা বিস্তাৰ সমিতিৰ কান্দাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়' আৰু 'সুৰেন দাস মহাবিদ্যালয়' আজিও উজ্বল তাৰকা হিচাপে জিলিকি আছে। সুখৰ কথা যে হাজোত আধুনিক শিক্ষাই (১৮২৬ চনৰ প্ৰাথমিক বিদ্যালয়খনক ধৰি) দুশ বছৰ পূৰ্ণ কৰিবলৈ লোৱাৰ বৰ্ষতেই (২০২৬ চন) সুৰেন দাস মহাবিদ্যালয়ে স্বায়ত্তশাসিত মহাবিদ্যালয়ৰ মৰ্যাদা অৰ্জন কৰি হাজোত আধুনিক শিক্ষাৰ দুশ বছৰীয়া ইতিহাসক গৌৰৱান্বিত কৰিছে।

**উৎস ঃ**

১। 'হাজোৰ বাতৰি'ৰ উদ্যোগত ১৯৯৬ চনত উদ্‌যাপন কৰা 'হাজোত আধুনিক শিক্ষাৰ ডেৰশ বছৰীয়া জয়ন্তী'ৰ বা-বাতৰি।

২। হাজোৰ শিক্ষাৰ বুৰঞ্জী, সম্পাদক ঃ পৰেশ বৈশ্য, প্ৰকাশক ঃ হাজোৰ বাতৰিৰ হৈ ষ্টাৰ ফিচাৰ্চ, গুৱাহাটী, ১৯৯৬ চন।

# নগাঁও জিলাৰ উৰিয়াগাওঁ অঞ্চলৰ এঘাৰটা পৰিয়াল বানৰ কবলত

## নগাঁও জিলা আয়ুক্তৰ আশ্ৰয় শিবিৰ পৰিদৰ্শন

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও চহৰৰ গাতে লাগি থকা উৰিয়াগাঁও অঞ্চলৰ এঘাৰটা পৰিয়াল বানৰ কবলত পৰিছে। ইয়াৰ মূলত কাৰণ হৈছে যোৱা কিছুদিন ধৰি জিলাখনৰ বিভিন্ন অংশত হৈ থকা মুষলধাৰ বৰষুণৰ ফলত কলং নৈৰ জলপৃষ্ঠ বৃদ্ধি পাইছে আৰু তাৰ ফলস্বৰূপে নৈৰ কাষৰীয়া অঞ্চলসমূহত বাস কৰা একাংশ লোকৰ জীৱন-যাত্ৰা ব্যাহত হৈছে। চহৰখনৰ উৰিয়াগাঁও অৰ্জুনতলৰ কলং নৈৰ কাষৰীয়া এঘাৰটা পৰিয়ালৰ বাসস্থানত বাঢ়নী পানী সোমাইছে। এই লোকসকলক জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু জিলা প্ৰশাসনৰ সহযোগত উৰিয়াগাঁৱত এটা নিৰ্মীয়মাণ অট্টালিকাত বান শিবিৰ স্থাপন কৰি সুৰক্ষিতভাৱে স্থানান্তৰ কৰি আশ্ৰয় প্ৰদান কৰা হৈছে। নগাঁৱৰ জিলা আয়ুক্ত দেবাশীষ শৰ্মাই উক্ত বান শিবিৰ পৰিদৰ্শন কৰে আৰু শিবিৰত আশ্ৰয় লোৱা লোকসকলৰ খাদ্য, আশ্ৰয় আৰু স্বাস্থ্যকে ধৰি বিভিন্ন সা-সুবিধাসমূহৰ বুজ লয়। উল্লেখ্য যে জিলা প্ৰশাসন আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তৰফৰ পৰা সাহায্য সামগ্ৰী প্ৰদানৰ উপৰি স্বাস্থ্য বিভাগ আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ তৰফৰ পৰাও পৰ্যাপ্ত চিকিৎসা সেৱা আৰু খোৱাপানী যোগান ধৰা হৈছে। তেওঁলোকৰ মাজত দুপৰীয়া খিচিৰি ৰান্ধি বিতৰণ কৰা হয়। স্বাস্থ্য বিভাগৰ তৰফৰ পৰা সকলো আৱাসীৰ স্বাস্থ্য পৰীক্ষাৰো ব্যৱস্থা কৰা হৈছে বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জনাইছে। উল্লেখ্য যে জিলা আয়ুক্তৰ এই পৰিদৰ্শন কালত নগাঁও সদৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া বনদীপ ৰাভাও উপস্থিত থাকে।

# নগাঁও বিশ্ববিদ্যালয়ত চিত্ৰশিল্পী সুজিত দাসৰ নৱতম গ্ৰন্থ ‘চিত্ৰশিল্প, ফাইন আৰ্টছ’ উন্মোচন



**জয়ন্ত মুদৈ, নগাঁও ঃ** অসমৰ বিশিষ্ট পুথিচিত্ৰ শিল্পী, গৱেষক, শিক্ষক তথা আন্তৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন শিল্পী সুজিত দাসৰ ৰচিত ‘চিত্ৰশিল্প, ফাইন আৰ্টছ’ নামৰ এখনি গ্ৰন্থ সোমবাৰে নগাঁও বিশ্ববিদ্যালয়ত উন্মোচন কৰা হয়। অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাত প্ৰকাশিত এই গ্ৰন্থখনি আনুষ্ঠানিকভাৱে উন্মোচন কৰে নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকাই। এক গাম্ভীৰ্যপূৰ্ণ পৰিবেশত গ্ৰন্থখনি উন্মোচন কৰি উপাচাৰ্য ড° ডেকাই সুজিত দাসৰ কৰ্মৰাজিৰ প্ৰশংসা কৰি কয় যে- সুজিত দাসে ত্ৰিশখন দেশত গুৰুজনাৰ এক মৌলিক সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰ কৰিছে। তেওঁ এনে কাম অব্যাহত ৰাখক। নগাঁও বিশ্ববিদ্যালয়ত গুৰুজনাৰ কৰ্মৰাজিৰ লগতে অসমৰ সকলো শিল্পকৰ্মৰ এখনি বৃহৎ সংগ্ৰহালয়ৰ পৰিকল্পনা কৰা হৈছে। যিহেতু নগাঁও বিশ্ববিদ্যালয় হৈছে গুৰুজনাৰ জন্মস্থানৰ প্ৰথমখন ৰাজহুৱা খণ্ডৰ বিশ্ববিদ্যালয়। ফাইন আৰ্ট ইতিহাস, ৰসায়ন বিজ্ঞান, ভূগোল তথা সকলো বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে শিকিব লাগে। উপাচাৰ্য গৰাকীয়ে লগতে ফাইন আৰ্টচৰ ক্ষেত্ৰত এই গ্ৰন্থখনে এটা ডাঙৰ অভাৱ পূৰণ কৰিছে বুলি বুলি মন্তব্য কৰে। উল্লেখ্য যে, চিত্ৰকলাৰ বিভিন্ন বিষয় আৰু ফাইন আৰ্টছৰ বিভিন্ন দিশক সহজ, তথ্যসমৃদ্ধ আৰু শিক্ষাৰ্থী-বান্ধৱ ৰূপত উপস্থাপন কৰা এই গ্ৰন্থখন ইতিমধ্যে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা চিত্ৰকলাৰ ৰেফাৰেন্স গ্ৰন্থ হিচাপে অনুমোদন লাভ কৰিছে। এই স্বীকৃতিয়ে গ্ৰন্থখনৰ শৈক্ষিক গুৰুত্বক বিশেষভাৱে বৃদ্ধি কৰিছে। উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে বিভিন্ন চিত্ৰকলা বিদ্যালয়, মহাবিদ্যালয় আৰু অন্যান্য শিক্ষানুষ্ঠানৰ চিত্ৰকলাৰ শিক্ষাৰ্থীসকলেও এই গ্ৰন্থখনৰ পৰা যথেষ্ট উপকৃত হ’ব বুলি আশা কৰা হৈছে। চিত্ৰকলাৰ ইতিহাস, বিভিন্ন শিল্পধাৰা, কলাৰ মৌলিক বিষয় আৰু ফাইন আৰ্টছৰ সৈতে জড়িত বিভিন্ন দিশৰ বিষয়ে গ্ৰন্থখনত আলোচনা কৰা হৈছে। আনহাতে, দীৰ্ঘদিন ধৰি অসমৰ পুথিচিত্ৰ আৰু পৰম্পৰাগত চিত্ৰকলাৰ সংৰক্ষণ, চৰ্চা আৰু প্ৰশিক্ষণৰ সৈতে জড়িত হৈ থকা সুজিত দাসে এই গ্ৰন্থখনৰ জৰিয়তে চিত্ৰকলাৰ জ্ঞানক অধিক বিস্তৃত পৰিসৰত শিক্ষাৰ্থী আৰু সাধাৰণ পাঠকৰ মাজলৈ লৈ যোৱাৰ প্ৰয়াস কৰিছে বুলি মত ব্যক্ত কৰাৰ লগতে গ্ৰন্থখনৰ প্ৰকাশে অসমৰ চিত্ৰকলাৰ শিক্ষা আৰু চৰ্চাৰ ক্ষেত্ৰত এক নতুন সম্ভাৱনাৰ সৃষ্টি কৰিছে বুলি উল্লেখ কৰি কয় যে- উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অনুমোদন লাভ কৰাৰ পিছত বিভিন্ন চিত্ৰকলা বিদ্যালয়, মহাবিদ্যালয় আৰু চিত্ৰকলাৰ শিক্ষা প্ৰতিষ্ঠানত গ্ৰন্থখনৰ চাহিদা বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। চিত্ৰকলাৰ শিক্ষক, শিক্ষাৰ্থী আৰু অনুৰাগীসকলেও গ্ৰন্থখনক এক উপযোগী ৰেফাৰেন্স গ্ৰন্থ হিচাপে আদৰি ল’ব বুলি মই আশাবাদী। বিশিষ্ট সাংবাদিক জিতেন বৰকটকীয়ে আঁত ধৰা গ্ৰন্থ উন্মোচনীৰ অনুষ্ঠানটিত নগাঁও বিশ্ববিদ্যালয়ৰ ডীন লক্ষ্যজ্যোতি বৰঠাকুৰ, আভ্যন্তৰীণ মান নিৰ্ণায়ক চমুকৈ আই কিউ এ চিৰ সমন্বয়ক ভুবন চেতিয়া, উপ-নিয়ন্ত্ৰক আফজালুৰ ৰহমান, বুৰঞ্জী বিভাগৰ প্ৰৱক্তা শিৰোমণি হাজৰিকা, অসমীয়া বিভাগৰ প্ৰৱক্তা দণ্ডা দেৱী, সাংবাদিক দিব্যজ্যোতি বৰুৱা, আবৃত্তিকাৰ সুস্মিতা দত্তকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানটিত উপস্থিত সকলোৱে অসমৰ চিত্ৰকলাৰ ক্ষেত্ৰত দীৰ্ঘদিনৰ সাধনা, অভিজ্ঞতা আৰু অধ্যয়নৰ আধাৰত প্ৰস্তুত কৰা এই গ্ৰন্থখনে আগন্তুক দিনত চিত্ৰকলাৰ শিক্ষাৰ্থীসকলৰ বাবে এক গুৰুত্বপূৰ্ণ সহায়ক গ্ৰন্থ হিচাপে পৰিগণিত হোৱাৰ লগতে অসমৰ চিত্ৰকলাৰ শিক্ষা আৰু চৰ্চাৰ ক্ষেত্ৰতো এক উল্লেখযোগ্য সংযোজন হিচাপে পৰিচিতি লাভ কৰিব বুলি আশা প্ৰকাশ কৰে।

# শিৱসাগৰ জিলাৰ বানাক্ৰান্ত পৰিয়ালক অসম চৰকাৰে বিতৰণ কৰিব ৬০,০০০ কপাহী গাদী



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** অসম চৰকাৰে বানত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক সকাহ প্ৰদানৰ উদ্দেশ্যে গ্ৰহণ কৰা বিশেষ সাহায্য পদক্ষেপৰ অধীনত শিৱসাগৰ জিলালৈ আৱন্টন দিছে ৬০,০০০খন কপাহী গাদী (Cotton Mattress)। উল্লেখযোগ্য যে, উজনি অসমৰ বানাক্ৰান্ত জিলাসমূহৰ বাবে অসম চৰকাৰে মুঠ ১,০০,০০০খন কপাহী গাদী বিতৰণৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। এই বিশেষ সাহায্য পদক্ষেপটো Flood and River Erosion Management Agency of Assam (FREMAA)-এ জলসম্পদ বিভাগৰ সমন্বয়ত আৰু Asian Development Bank (ADB)-ৰ সহযোগত ৰূপায়ণ কৰা হৈছে। ইয়াৰ ভিতৰত শিৱসাগৰ জিলাৰ বাবে সৰ্বাধিক ৬০,০০০খন কপাহী গাদী আৱণ্টন দিছে। জিলা প্ৰশাসনে ইতিমধ্যে এই সাহায্য সামগ্ৰীসমূহ গ্ৰহণ, সংৰক্ষণ আৰু যোগ্য বানাক্ৰান্ত পৰিয়ালসমূহৰ মাজত স্বচ্ছভাৱে বিতৰণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে আৰু FREMAA-ৰ নিৰ্দেশনা অনুসৰি সামগ্ৰীসমূহ পৰীক্ষা, নিৰাপদ সংৰক্ষণ আৰু প্ৰকৃত বানাক্ৰান্ত তথা যোগ্য হিতাধিকাৰীৰ মাজত বিতৰণ নিশ্চিত কৰাৰ লগতে ৭ দিনৰ ভিতৰত এই বিতৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ হ’ব। জিলা প্ৰশাসনৰ নিৰ্দেশনাত উন্নয়ন খণ্ড পৰ্যায়ত কাৰ্যবাহী বিষয়া অথবা খণ্ড উন্নয়ন বিষয়া আৰু সংশ্লিষ্ট গাঁও পঞ্চায়তৰ বিষয়াৰ জৰিয়তে এই কপাহী গাদীসমূহ বিতৰণৰ ব্যৱস্থা কৰা হৈছে। সংশ্লিষ্ট এলেকাৰ বানাক্ৰান্ত আৰু যোগ্য পৰিয়ালসমূহৰ মাজত বিতৰণ প্ৰক্ৰিয়া অহা ৭ দিনৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। আনহাতে এই বিতৰণ প্ৰক্ৰিয়াত স্বচ্ছতা আৰু জবাবদিহিতা নিশ্চিত কৰাৰ বাবে হিতাধিকাৰীৰ প্ৰাপ্যতা, বিতৰণৰ তথ্য আৰু প্ৰাপ্তিৰ স্বীকৃতি যথাযথভাৱে সংৰক্ষণ কৰা হ’ব বুলি জানিব পৰা গৈছে। লগতে FREMAA-ৰ নিৰ্দেশনা অনুসৰি বিতৰণ সম্পূৰ্ণ হোৱাৰ পিছত Actual Pay Receipt/Distribution Acknowledgement আৰু আনুষংগিক নথি সংৰক্ষণ তথা দাখিল কৰা হ’ব। শিৱসাগৰ জিলা প্ৰশাসনে সকলো সংশ্লিষ্ট বিষয়া, পঞ্চায়ত প্ৰতিনিধি আৰু কৰ্মচাৰীক সমন্বিতভাৱে কাম কৰি সময়মতে আৰু স্বচ্ছভাৱে এই সাহায্য সামগ্ৰী প্ৰকৃত বানাক্ৰান্ত পৰিয়ালসমূহৰ ওচৰলৈ পঠিয়াবলৈ আহ্বান জনাইছে।

# অসম নাট্য সন্মিলন ‘কলংপাৰ’ শাখাৰ শিশু নাট কৰ্মশালাৰ সামৰণি

## নাট্যকাৰ, পৰিচালক অভিনেতা দীপক বৰাক নট নক্ষত্ৰ-সন্মান প্ৰদান

**বিশেষ সংবাদদাতা, নগাঁও ঃ** অসম নাট্য সন্মিলন কলংপাৰ শাখাৰ ব্যৱস্থাপনাত অনুষ্ঠিত হোৱা শিশু নাট কৰ্মশালাৰ সামৰণি পৰে। নগাঁও জিলাৰ গোমোঠা গাঁও প্ৰাথমিক বিদ্যালয়ত বিয়লি অনুষ্ঠিত হয় শিশু নাট কৰ্মশালাৰ সামৰণি অনুষ্ঠান। বিয়লিৰে পৰা অনুষ্ঠিত হোৱা শিশু নাট কৰ্মশালাৰ সামৰণি অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক, লেখক তথা সুবক্তা মোহিনীমোহন ডেকাই। এই অনুষ্ঠানতেই বিশিষ্ট নাট্যকাৰ, অভিনেতা তথা পৰিচালক দীপক বৰাক কলংপাৰ শাখাৰ তৰফৰ পৰা প্ৰদান কৰা হয় নট-নক্ষত্ৰ সন্মান। অসমৰ সোনসেৰীয়া কৃষ্টিকেই জীৱনৰ অংগস্বৰূপ কৰি লোৱা এইগৰাকী নাট্য কৰ্মী দীপক বৰাই ৰাইজ আৰু প্ৰশিক্ষাৰ্থী সকলৰ মাজত এই সন্মান লাভ কৰি আৱেগিক হৈ পৰে। সন্মান লাভ কৰাৰ পিছতেই এইগৰাকী কৃষ্টিৰ সাধক দীপক বৰাই তেওঁৰ ভাষণত কয়-গুৰুজনাকে ধৰি আমাৰ যিসকল নক্ষত্ৰ তথা আমাৰ গুৰু তেওঁলোকে দি থৈ যোৱা শক্তিৰে আনক পোহৰ কৰাৰ প্ৰয়াস কৰা আমি মাথোঁ একোটা উপগ্ৰহ। ধাৰ কৰা শক্তিৰে আনক পোহৰ কৰা আমি উপগ্ৰহ যদিও চিন্তা আৰু নিজৰ চেষ্টা সন্নিৱিষ্ট কৰি আগবাঢ়ি গৈছো। আমি নাটকৰ তৃণমূল কৰ্মী। সৰুৰে পৰা গাঁৱত ভাওনা কৰিছো। আমাৰ মন যায় গুৱাহাটী বা নগাঁৱৰ দুশ তিনিশ দৰ্শকৰ মাজত নাটক কৰিবলৈ। তেনেদৰে নাটক কৰাৰ পিছতো আমাৰ মূল লক্ষ্য তৃণমূল তথা গাঁও অঞ্চলত নাটক কৰা।গাঁও অঞ্চল আমাৰ প্ৰাণৰো প্ৰাণ বুলি উল্লেখ কৰে। উল্লেখ্য যে, যোৱা ১৭ জুলাইৰ পৰা অনুষ্ঠিত হোৱা দহদিনীয়া শিশু নাট কৰ্মশালাৰ সামৰণি অনুষ্ঠানৰ আৰম্ভণিতে শিল্পী বিষ্ণু প্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা, ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে ক্ৰমে প্ৰবীন নাট্য কৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক জীৱন চন্দ্ৰ শইকীয়া, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সমাজকৰ্মী নৰেন্দ্ৰ নাথ শৰ্মা, নাট্যকাৰ, পৰিচালক হেমকান্ত বৰুৱা আৰু নগাঁও জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক তথা সমাজকৰ্মী কুমুদ চন্দ্ৰ বৰাই। কলংপাৰ শাখাৰ সম্পাদক গোলাপ বৰা আৰু সহকাৰী সম্পাদক নিপুল বৰাই আঁত ধৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অসম নাট্য সন্মিলন কামপীঠ মণ্ডলৰ সভাপতি মনোজ বৰদলৈ, সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক সুৰজ কুমাৰ শইকীয়া, নগাঁও জিলা সমিতিৰ সভাপতি সভাপতি প্ৰশান্ত শৰ্মা, সম্পাদক জিতুমনি মহন্ত, বঢ়মপুৰৰ মূৰ্ছনা নৃত্য মঞ্জুৰী সংগীত বিদ্যালয়ৰ তত্বাৱধায়ক জয়ন্ত শৰ্মা, সমাজকৰ্মী নৰেন্দ্ৰ নাথ বৰা, কলংপাৰ শাখাৰ সভাপতি মাধৱ চন্দ্ৰ বৰা, কাৰ্যকৰী সভাপতি কিৰণ কুমাৰ নেওগ প্ৰমুখ্যে বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকে। শিশু নাট কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰে অভিনেতা তথা পৰিচালক ৰাজেন ফুকন, নাট্যকাৰ, অভিনেতা তথা পৰিচালক নৱজ্যোতি বৰা, ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ প্ৰশিক্ষণপ্ৰাপ্ত অভিনেত্ৰী, অভিনেতা ক্ৰমে সুস্মিতা শইকীয়া, অঞ্জল বৰা, নাট্যকাৰ, অভিনেতা পৰিচালক ক্ৰমে গোলাপ বৰা আৰু সীমান্ত কলিতাই। সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলক শাখাৰ তৰফৰ পৰা প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষাৰ্থীসকলে এলানি চুটি শিশু নাট প্ৰদৰ্শন কৰে।

# যুৱ সমাজসেৱী পৰিষ্মিতা দাসৰ অকাল বিয়োগত উত্তৰ পেটবঢ়াত শোক



**লক্ষ্যজ্যোতি বৰা ঃ** নগাঁও জিলাৰ ফুলগুৰি সমীপৰ উত্তৰ পেটবঢ়া গাঁৱৰ এগৰাকী অমায়িক, সকলোতে পাকৈত, যুৱ সমাজসেৱী তথা সৰবৰহী যুৱতী পৰিষ্মিতা দাসৰ যোৱা ৯ আগষ্ট তাৰিখ দেওবাৰে নিশা বলবমৰ পৰা উভতি অহাৰ পথত নগাঁৱৰ এঘাৰমাইলত সংঘটিত এক পথ দুৰ্ঘটনাত পতিত হৈ অকাল বিয়োগ ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ২৫ বছৰ। তেওঁ অঞ্চলৰ সকলো সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। ১০ আগষ্ট তাৰিখ সোমবাৰে আগবেলা নগাঁও চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৰণোত্তৰ পৰীক্ষাৰ অন্তত পিছবেলা সমাজপ্ৰিয় যুৱতীগৰাকীৰ নশ্বৰ দেহ স্বগৃহ পোৱাৰ লগে লগে অনেক দল সংগঠন আৰু অগণন গুণমুগ্ধই আহি তেওঁৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। ইয়াৰ পিছতে তেওঁৰ অন্তোষ্টিক্ৰিয়া সম্পন্ন কৰা হয় । তেওঁৰ মৃত্যুত বৃহত্তৰ উত্তৰ পেটবঢ়া আঞ্চলিক ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতি, ৰাস মহোৎসৱ সমিতি, শংকৰ মাধৱ কৃষ্টি বিকাশ কেন্দ্ৰ আৰু বন্তি পুথিভঁৰাল সমিতি, উত্তৰ পেটবঢ়া নামঘৰ পৰিচালনা সমিতি, পেটবঢ়া মধ্য ইংৰাজী বিদ্যালয় পৰিচালনা সমিতি, উত্তৰ পেটবঢ়া প্ৰাথমিক বিদ্যালয় পৰিচালনা সমিতি, ৰহা প্ৰেছ ক্লাব, অসমৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী উমেশ চন্দ্ৰ দাস, ৰহা বিধানসভা সমষ্টিৰ বিধায়ক শশীকান্ত দাস, যুৱ সমাজকৰ্মী উৎপল বণিয়া, যুৱ উদ্যোগী গৌতম ডেকাকে ধৰি বহু ব্যক্তি আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ মাতৃ, একমাত্ৰ ভগ্নী আৰু বহু আত্মীয়-কুটুম্বক ইহ সংসাৰত এৰি থৈ যায়।

# জুডো চেম্পিয়নশ্বিপ ২০২৬ পদকপ্ৰাপ্ত চতিয়াৰ চেম্পিয়নছ মেকাৰ একাডেমিৰ খেলুৱৈসকলক ৰাজহুৱা সম্বৰ্ধনা নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ




**চন্দন শৰ্মা, তেজপুৰ ঃ** ছত্তীশগড়ত অনুষ্ঠিত চি বি এছ চি ফাৰ ইষ্ট জ'ন জুডো প্ৰতিযোগিতা ২০২৬ত চতিয়াস্থিত 'চেম্পিয়নছ মেকাৰ একাডেমি' ৰ খেলুৱৈসকলে চমকপ্ৰদ সফলতা অৰ্জন কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। এই সাফল্যৰ পিছতে একাডেমি চৌহদত পদকপ্ৰাপ্ত খেলুৱৈসকলক এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰে নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই। উক্ত প্ৰতিযোগিতাত গীতাৰ্থ কলিতা (১৪ বছৰ অনুৰ্দ্ধ, ৪৫ কেজি শাখা), দেৱানীভ বৰমুদৈ (১৪ বছৰ অনুৰ্দ্ধ, ৫০ কেজি শাখা), ভূমিস্থা দাস (১৭ বছৰ অনুৰ্দ্ধ, ৪৮ কেজি শাখা) স্বৰ্ণ পদক; দেৱৰ্পন মেধি ৰূপৰ পদক; অংশুমান বৰাই ব্ৰঞ্জৰ পদক লাভ কৰে। চতিয়া নাগৰিক সভাৰ সভাপতি ভৱ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত এই সম্বৰ্ধনা সভাখনত চতিয়া জ্ঞান বিকাশ একাডেমিৰ প্ৰধান শিক্ষয়িত্ৰী বিউটি শইকীয়া আৰু চতিয়া নাগৰিক সভাৰ সম্পাদক বিবেক দুৱৰাই খেলুৱৈসকলক উদ্দেশ্যি অনুপ্ৰেৰণামূলক ভাষণ প্ৰদান কৰে। একাডেমিৰ সঞ্চালক তথা প্ৰশিক্ষক হৃদয়ানন্দ দাসে প্ৰশিক্ষণ কেন্দ্ৰটোৰ দীৰ্ঘদিনীয়া যাত্ৰাৰ খতিয়ান দাঙি ধৰি কয় যে, ভৱিষ্যতে এই একাডেমিৰ খেলুৱৈসকলে কমনৱেলথ গেমছত দেশক প্ৰতিনিধিত্ব কৰাটোৱেই তেওঁলোকৰ মূল সপোন। মুখ্য অতিথি হিচাপে আসন অলংকৃত কৰা নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই কৃতী খেলুৱৈসকলক অসমীয়া জাতিৰ স্বাভিমান ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰ, কলম আৰু নগদ ধনেৰে বিশেষভাৱে সন্মানিত কৰে। ইয়াৰ উপৰিও চতিয়া নাগৰিক সভা, চতিয়া বণিক সংস্থা, চতিয়া ক্ৰীড়া সংস্থা, চতিয়া পৌৰসভা, চতিয়া আঞ্চলিক পঞ্চায়ত আৰু চতিয়া জ্ঞান বিকাশ একাডেমিৰ তৰফৰ পৰাও ক্ৰীড়াবিদসকলক আদৰণি জনোৱা হয়। অনুষ্ঠানত চতিয়া পৌৰসভাৰ পৌৰপতি দ্বিপশিখা সন্দিকৈ, শোণিতপুৰ জিলা পৰিষদৰ উপ-সভাপতি হিতেশ বৰুৱা, চতিয়া আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী ভাৰতী দাসকে ধৰি অঞ্চলটোৰ বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ইফালে যুৱ উদ্যোগী তথা বিধায়ক পদ্ম হাজৰিকাৰ পুত্ৰ নিৰজ নিশিম হাজৰিকাই নিজৰ পূৰ্বৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰি চেম্পিয়নছ মেকাৰ একাডেমিৰ বাবে আধুনিক জীমৰ সামগ্ৰী আনুষ্ঠানিকভাৱে প্ৰদান কৰে। তেওঁৰ এই বদান্যতাৰ বাবে একাডেমি কৰ্তৃপক্ষই আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰে।

# গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ৰোগতত্ব বিভাগৰ ৰাজ্যিক ভিত্তিত ইমিউন'হিষ্ট'কেমিষ্ট্ৰী (IHC) বিষয়ক কৰ্মশালা অনুষ্ঠিত

**ৰমেন ভৰালী, বংশৰ ঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পেথ'লজী (ৰোগতত্ব) বিভাগৰ উদ্যোগত যোৱা ৭ আৰু ৮ আগষ্টত দুদিনীয়া কাৰ্যসূচীৰে 'ইমিউন'হিষ্ট'কেমিষ্ট্ৰী' (IHC) বিষয়ক এখন ৰাজ্যিক ভিত্তিত কৰ্মশালা CME তথা হাতে-কলমে প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হয়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ৰোগতত্ব বিভাগত আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ চি এন কেন্দ্ৰ (CN Centre) ত অনুষ্ঠিত কৰ্মশালাখনত IHC- ৰ আধুনিক প্ৰযুক্তি, ৰোগ নিৰ্ণয়ত ইয়াৰ গুৰুত্ব আৰু চিকিৎসা নিৰ্ধাৰণত ইয়াৰ ভূমিকা সম্পৰ্কে বিশেষজ্ঞসকলে আলোচনা কৰে। কৰ্মশালাখনৰ মূল লক্ষ্য আছিল চিকিৎসক আৰু লেবৰেটৰী পেছাদাৰীসকলক IHC প্ৰক্ৰিয়াৰ ব্যৱহাৰিক দিশৰ বিষয়ে উন্নত জ্ঞান প্ৰদান কৰা। ৮ আগষ্টত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ৰোগতত্ব বিভাগৰ উদ্যোগত ৰাজ্যিক ভিত্তিত চি এন কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰ্মশালাখন আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ডাঃ অনুপ বৰ্মনে। শুভ উদ্বোধনী অনুষ্ঠানত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ অধ্যাপক ডাঃ বাবুল বেজবৰুৱা মুখ্য অতিথি হিচাপে উপস্থিত থাকি ৰাজ্যিক কৰ্মশালাত তত্ত্ব গধুৰ ভাষণেৰে সকলোকে আপ্লুত কৰে। কৰ্মশালাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধীক্ষক অধ্যাপক ডাঃ দেৱজিৎ চৌধুৰী, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ উপাধ্যক্ষ অধ্যাপক ডাঃ জয়দেৱ শৰ্মা, অধ্যাপক ডাঃ পংকজ অধিকাৰী, অধ্যাপক ডাঃ জে পি প্ৰসাদ আদি উপস্থিত থাকি ভাষণ দিয়ে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ৰোগতত্ব বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ ইনা ডোৱাৰাই আদৰণি ভাষণ প্ৰদান কৰা কৰ্মশালাত অসমৰ বিভিন্ন চিকিৎসা মহাবিদ্যালয়ৰ পৰা অধ্যাপক, সহযোগী অধ্যাপক, সহকাৰী অধ্যাপক, অধ্যাপিকা, পিজিৰ ছাত্ৰ ছাত্ৰীসকলে অংশগ্ৰহণ কৰা কৰ্মশালা দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। ৰাজ্যিক ভিত্তিত অনুষ্ঠিত কৰ্মশালাখনত হাতে-কলমে প্ৰশিক্ষণৰ জৰিয়তে অংশগ্ৰহণকাৰীসকলে স্লাইড প্ৰস্তুতিৰ পৰা আৰম্ভ কৰি IHC staining আৰু ফলাফল মূল্যায়নলৈকে বিভিন্ন দিশৰ বিষয়ে বাস্তৱ অভিজ্ঞতা লাভ কৰে। অনুষ্ঠানটোৱে পেথ'লজী আৰু শল্য চিকিৎসাৰ মাজত সমন্বয় শক্তিশালী কৰাৰ লগতে উন্নত আৰু নিৰ্ভৰযোগ্য ৰোগ নিৰ্ণয়ৰ ক্ষেত্ৰত IHC-ৰ গুৰুত্ব পুনৰ উজ্বলাই তুলিব বুলি আশা কৰা হৈছে।

# নগাঁও জিলাৰ চকৰিগাঁত অৱস্থিত কে, চি ফিটনেছ নামৰ শৰীৰচৰ্চা কেন্দ্ৰটোৰ প্ৰথম বৰ্ষপূৰ্তি দিন উদ্‌যাপন



**বিশেষ সংবাদদাতা, নগাঁও ঃ** শৰীৰচৰ্চা জৰিয়তে কেইবাটাও ৰাষ্ট্ৰীয়-আন্তৰাষ্ট্ৰীয় পৰ্যায়ত সন্মান বুটলিবলৈ সক্ষম হোৱা নগাঁৱৰ সু-সন্তান কমল চেট্ৰীৰ নেতৃত্বত গঢ় লৈ উঠা কে,চি ফিটনেছ নামৰ জিমটোৰ বৰ্ষপূতি দিনটো কেক কাটি উলহ মালহেৰে উদ্‌যাপন কৰা হয়। তদুপৰি কাৰ্যসূচীৰ অংশ হিচাপে বৰ্ষপূতি অনুষ্ঠানত নিজৰ পৰিয়াল বৰ্গ, স্থানীয় গণ্য-মান্য ব্যক্তিসকলৰ লগতে জিমটোত শৰীৰচৰ্চা কৰিবলৈ অহা যুৱক-যুৱতীসকল উপস্থিত থাকে। ইপিনে শৰীৰচৰ্চাৰ জৰিয়তে যে এজন লোক নিৰোগী হৈ থকাৰ লগতে নিজৰ মন-প্ৰাণ পুলকিত কৰি ৰখাত সহায়ক হ'ব বুলি চেট্ৰিয়ে বৰ্তমান সমাজখনলৈ এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰে।

# জনতাৰ আস্থা-সহযোগিতাই দায়িত্ব নিষ্ঠাৰে পালন কৰিবলৈ অনুপ্ৰাণিত দিয়ে ঃ প্ৰকাশ চন্দ্ৰ দাস



**ৰমেন ভৰালী, বংশৰ ঃ** জনপ্ৰতিনিধি আৰু জনসাধাৰণৰ মাজৰ পোনপটীয়া সম্পৰ্কই সমাজ উন্নয়নৰ আটাইতকৈ শক্তিশালী ভেটি। এই মন্তব্য হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসৰ। কামৰূপ জিলাৰ বংশৰ আৰু গন্ধমৌ গাঁও পঞ্চায়তৰ অন্তৰ্গত ৰাৱণবৈস্থিত সদৌ ৰাৱণবৈ গাঁৱলীয়া সভাৰ উদ্যোগত ৮ আগষ্টত অনুষ্ঠিত বিধায়কৰ সৈতে স্থানীয় ৰাইজৰ এক মত বিনিময় অনুষ্ঠানৰ লগতে সম্বৰ্ধনা সভাত এই মন্তব্য কৰে বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে। শুৱালকুছি উন্নয়ন খণ্ডৰ অন্তৰ্গত ৰাৱণবৈ অঞ্চলটোৰ ৰাইজে দীৰ্ঘদিন ধৰি জৰাজীৰ্ণ ৰাস্তা-ঘাট আৰু কৃত্ৰিম বানৰ দৰে গুৰুতৰ সমস্যাৰ সৈতে যুঁজি আহিছে। এই গুৰুত্বপূৰ্ণ মত-বিনিময় অনুষ্ঠানত স্থানীয় ভুক্তভোগী ৰাইজে উক্ত সমস্যাসমূহ স্থানীয় বিধায়ক গৰাকীৰ দৃষ্টিগোচৰ কৰে। বিধায়ক প্ৰকাশ চন্দ্ৰ দাসেও ৰাইজৰ অভাৱ-অভিযোগসমূহ অত্যন্ত ধৈৰ্য আৰু আন্তৰিকতাৰে শুনে। তেওঁ ৰাইজৰ সৈতে এই বিষয়সমূহৰ ওপৰত দীঘলীয়া আলোচনা কৰে আৰু সমস্যাসমূহ অতি শীঘ্ৰে সমাধান কৰাৰ বাবে যথাসম্ভৱ সকলো পদক্ষেপ গ্ৰহণ কৰিব বুলি আশ্বাস দিয়ে। বিধায়ক গৰাকীৰ এই আশ্বাসে স্থানীয় ৰাইজৰ মনত এক নতুন আশাৰ সঞ্চাৰ কৰিছে। ৰাইজক সম্বোধন কৰি বিধায়ক গৰাকীয়ে আগবঢ়োৱা বক্তব্য আছিল অত্যন্ত তাৎপৰ্যপূৰ্ণ। তেওঁ কয়- ৰাইজৰ মৰম, আস্থা আৰু সহযোগিতাই আমাক জনসেৱাৰ দায়িত্ব অধিক নিষ্ঠাৰে পালন কৰিবলৈ অনুপ্ৰাণিত কৰে। আগন্তুক দিনত হাজো-শুৱালকুছি সমষ্টিৰ সৰ্বাংগীণ উন্নয়ন আৰু ৰাইজৰ কল্যাণৰ বাবে আমি সকলোৱে একগোট হৈ কাম কৰি যাম বুলি কয়। এনে একতা আৰু দায়বদ্ধতাই সমাজ এখনক প্ৰগতিৰ পথত আগুৱাই নিয়াত সহায় কৰে বুলি মন্তব্য কৰে। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা বিশিষ্ট সমাজকৰ্মী, সদৌ ৰাৱণবৈ গাৱলীয়া সভাৰ সভাপতি নিৰঞ্জন কলিতাৰ সভাপতিত্বত আৰু সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰী শ্ৰী দূৰ্গা পূজা সমিতিৰ সম্পাদক তথা অসম চৰকাৰৰ জনসংযোগ বিভাগৰ কৰ্মচাৰী ৰাতুল কলিতাই আঁত ধৰা অনুষ্ঠানত স্থানীয় ৰাইজে বিধায়কগৰাকীক অসমীয়া সংস্কৃতিৰ স্বাভিমানৰ প্ৰতীক ফুলাম গামোচা, জাপি, শৰাই আৰু মানপত্ৰৰে উষ্ম আদৰণি জনায়। বহু সংখ্যক গণ্য-মান্য ব্যক্তি তথা স্থানীয় ৰাইজৰ উপস্থিতিয়ে সভাখনৰ গাম্ভীৰ্য বৃদ্ধি কৰে। সামগ্ৰিকভাৱে ক'বলৈ গ'লে, সদৌ ৰাৱণবৈ গাঁৱলীয়া সভাৰ এই উদ্যোগ অত্যন্ত প্ৰশংসনীয়। এনেধৰণৰ অনুষ্ঠানে শাসক আৰু জনসাধাৰণৰ মাজৰ দূৰত্ব হ্ৰাস কৰে। বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে দিয়া আশ্বাসসমূহ যদি অনাগত দিনত বাস্তৱত ৰূপায়ণ হয়, তেন্তে ৰাৱণবৈ অঞ্চলৰ উন্নয়ন ত্বৰান্বিত হ'ব আৰু এই অনুষ্ঠানে সমগ্ৰ অঞ্চলটোতে যোগাত্মক বাৰ্তা কঢ়িয়াই আনিব। অনুষ্ঠানত অঞ্চলটোৰ বহুসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

## ঘগ্ৰাপাৰ-জাজিয়াবাৰীত ভয়ংকৰ পথ দুৰ্ঘটনা

# প্ৰাক্তন আছুনেতা হৰ্ষজিত হালৈ আৰু ব্ৰজেন কাশ্যপ নিহত


**মমতাজ আহমেদ, ঘগ্ৰাপাৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ ওচৰৰ জাজিয়াবাৰীত ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত পুৱা ৬ মান বজাত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত দুজন যুৱক নিহত হোৱাৰ লগতে এজন যুৱক গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাত নিহত দুজন নলবাৰী টিহু লচিমাৰ চৰিত হালৈৰ পুত্ৰ প্ৰাক্তন আছুনেতা হৰ্ষজিত হালৈ (৩২) আৰু টিহু খলিহাগুৰিৰ প্ৰাক্তন আছুনেতা ব্ৰজেন কাশ্যপ (৩১) আৰু গুৰুতৰভাৱে আহত যুৱকজন টিহু বৰবাৰী ভটাকুছিৰ প্ৰাক্তন আছুনেতা ভাস্কৰ বৰ্মন বুলি জানিব পৰা গৈছে। উজনিত বান সাহায্য বিতৰণ কৰি তেওঁলোক তিনিও ধেমাজিৰ পৰা AS01 DY3661নম্বৰৰ 'মহিন্দ্ৰা মাৰোজ্জা' চাৰিচকীয়া বাহনেৰে নলবাৰী টিহুৰ নিজগৃহলৈ আহি থকা সময়তে নিয়ন্ত্ৰণ হেৰুৱাই জাজিয়াবাৰীত ৰৈ থকা NL01AJ 9049 নম্বৰৰ ট্ৰেইলাৰত খুন্দিয়াই ভয়ংকৰ পথ দুৰ্ঘটনাটো সংঘটিত হয়। স্থানীয় লোকে ততাতৈয়াকৈ নলবাৰী মেডিকেল হাস্পতালত ভৰ্তি কৰায় যদিও চিকিৎসকে হৰ্ষজিত হালৈৰ মৃত্যু হোৱা বুলি ঘোষণা কৰাৰ লগতে বাকী দুজনৰ অতি সংকটজনক অৱস্থাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। সংকটজনক অৱস্থাত থকা ভাস্কৰ বৰ্মন আৰু ব্ৰজেন কাশ্যপক গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰায় যদিও দুপৰীয়াৰ ভাগত ব্ৰজেন কাশ্যপে শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে টিহুক মহকুমা ঘোষণা কৰাৰ দাবীত ৰূপায়ণ কৰা কাৰ্যসূচীত আৰক্ষীৰ হাতত গুলিবিদ্ধ হৈছিল।

## কিয়নো আহিলি তই মৰণৰে বান

**প্ৰাণজিৎ দাস**
গৰেমাৰী

কিয়নো আহিলি তই মৰণৰে বান
দিখৌ আজি নদী নহয়-
এটি ক'লা শোকৰ সোঁত,
য'ত পানীৰ সৈতে
ভাঁহি যায়
এখন গাঁৱৰ ঠিকনা।
ভাঙি যোৱা ঘৰৰ মূধচত
এতিয়াও ওলমি আছে
এটি পুৰণি চোলা-
মানুহজন নাই,
মাথোঁ চোলাটোৱে
বাট চাই আছে
উভতি নহা খোজ এটালৈ।
বানে লৈ গ'ল
কিতাপ-পত্ৰ,
সেউজীয়া পথাৰৰ সপোন,
শিশুৰ ৰঙীন পেঞ্চিল,
এখন আধা-পঢ়া কিতাপ-
যাৰ পাতত আছে
এতিয়াও শুকাই নোযোৱা
এটি শিশুৰ ভৱিষ্যৎ।
বোকাৰে বুকুত
উবুৰি হৈ পৰি আছে
এটা নাঙল-
কৃষকজন নাই,
মাথোঁ মাটিখিনিয়ে কান্দে
তেওঁৰ হাতৰ উম
বিচাৰি।
দূৰলৈ ভাঁহি যায়
নামঘৰৰ ডবাৰ শব্দ
এখন ভঙা দুৱাৰ,
এটি কাঠৰ পুতলা-
এটি শৈশৱ
দিখৌৰ বুকুত
ডুব গ'ল।
এটা মূধচৰ তলত
এজনী মাতৃয়ে
সন্তানক বুকুত সাৱটি
আকাশলৈ চাই সোধে-
'কাইলৈ আমি ক'ত ঘৰ সাজিম?'
হে দিখৌ,
তইতো নদী,
তেন্তে কিয়
তোৰ ঢৌত আজি
মানুহৰ জীৱন ভাঁহে?
কিয়নো আহিলি তই-
মৰণৰে বান?
নে-
এয়া তোৰ সোঁত নহয়,
এয়া যেন
আমাৰেই ভুলৰ
উটি অহা প্ৰতিচ্ছবি?
আজি দিখৌৰ বুকুত
কেৱল পানী নহয়-
ভাঁহি যায়
এখন জনপদৰ
স্মৃতি,
সপোন,
আৰু
মানুহৰ উশাহ।
কিয়নো আহিলি তই-
মৰণৰে বান?

**ম'বাইল: ৯৬৭৮৮-৮১২৬৮**



## বানাক্ৰান্ত হৃদয়ৰ প্ৰাৰ্থনা

**টোলন তাছা**
চিকনি বৰহোলা, নগাঁও

বলীয়া বানে সপোনৰ ঘৰখন চুৰমাৰ কৰিলে
ভাঙি পৰে সহস্ৰজনৰ ঠুনুকা হৃদয়
সৰ্বস্ব হেৰুৱাই নিৰীহ জনতাই
নীৰৱে ৰাখিব নোৱাৰে লুকুৱাই
একাঁঠু পলসত পোত যোৱা আৱেগৰ চকুলো।
চকুৰ পলকতে আপোনজন উটি ভাঁহি গ'লে
নিঠৰুৱা হৈ পৰে পৰিয়াল আত্মীয় কুটুম
চৌদিশে কাল অমানিশাই আগুৰি ধৰে,
সীমাহীন বেদনাই ভাৰাক্ৰান্ত কৰে
বানাক্ৰান্ত অসংখ্যজনৰ উদং বুকু।
ধনী দুখীয়া জাতি কুলৰ সুউচ্চ প্ৰাচীৰখন
নাজানো তেতিয়া কতনো উফৰি যায়
ৰুদ্ৰৰূপী প্ৰবল বানে যেতিয়া
নিজ ইচ্ছামতে এফালৰ পৰা নিয়ে
ধন জন গাই গৰু সকলো মহটিয়াই।
দুখৰ দিনবোৰ দূৰ কৰা প্ৰভু
তুমিয়ে সৰ্বশক্তিমান অসীম দয়ালু
প্ৰকৃতিৰ ৰোষত আমি দিশহাৰা হ'লো
সুখৰ পুৱা এটিৰ বাবে কাকুতি কৰিছোঁ
তুমিয়ে দিয়া জীৱন তোমাকেই অৰ্পণ কৰিছোঁ।

**ম'বাইল: ৮৪৮৬০-৬৮৩৯০**

## বোকামাটিৰ সপোন

**উৰিশ্মা নাথ**
গৰুখুটি, দৰং

শাওণৰ মুষলধাৰ বৰষুণে
সেউজীয়া পথাৰৰ বুকুত
সিঁচি দিয়ে নতুন আশাৰ বীজ।
চহা কৃষক আৰু ৰূপহী ৰোৱনী
একাঠু বোকাত নামি,
লিহিৰি আঙুলিৰে ভুঁই ৰুই
সজাই সোণালী ভৱিষ্যতৰ সপোন।
হাঁহি-ধেমালি আৰু
অক্লান্ত পৰিশ্ৰমৰ সুৰেৰে
মুখৰিত কৰি তোলে
পথাৰৰ প্ৰতিটো ক্ষণ।
কিন্তু হঠাতে অহা
প্ৰলয়ংকাৰী বানে
মুহূৰ্ততে উটুৱাই নিয়ে
তেওঁলোকৰ কষ্ট, আশা
আৰু সপোনেৰে সজোৱা
সেউজীয়া পৃথিৱীখন।

## সময়

**মেৰী বৰদলৈ**
নগাঁও, ফুলগুৰি

হৃদয় কপোঁৱা
কথাবোৰ
নকবিচোন আহি,
বুকুত খুন্দিয়াবলৈ
নাহিবি অ'
অতীত,
স্মৃতিবোৰ থাকিবলৈ
দেচোন
সোণালী হৈ...।
সেই চিঞৰবোৰ
সামৰিছোঁ
বুকুৰ একোণত,
চকুলোবোৰো মচিছো
বুকুৰ আঁচলত,
পাৰ যদি
লৈ যা
উন্মাদিনী ভৰগাভিনী নদীৰ
খং অভিমান
কোনোবা অচিন
দ্বীপলৈ ...।

## বিষাদ নদীৰ স্বপ্ন

**বিতোপন গগৈ**
শিমলুগুৰি

জিকাৰ খাই উঠা
এটি দুঃস্বপ্নৰ ডায়েৰীত
বিধ্বস্ত পৃথিৱীৰ নিৰ্মম ছবি
ক্ৰন্দনৰত তিনিজনী মাউৰী
পানী বাগৰিছে
সিহঁতৰ ঘৰৰ মুধচেদি...
চকুলো সৰিছে নিৰ্বিঘ্নে
নগা পাহাৰৰ নৈশ নিৰ্জনত
নিষ্কলুষ শব্দ চেতনাৰে
দৈৱিক আদিম দাম্ভিকতাত.....
এতিয়া ৰাজনৈতিক খাদ্যৰ সন্ধান
এতিয়া পোচাকযোৰ সলাবলৈ
ক'লা পৰ্দা নালাগে
সকলোৰে শুনে নাঙঠ ভাৱৰীয়াৰ ছন্দোৱদ্ধ সংলাপ।
উটি উটি যায় বাৰীৰ উত্তৰদিশে
কৌতুকময় ঢৌৰ মেটেকা
জপনা দি লাভ নাই
নঙলা মুখত কিৰিলি পাৰি
মথাউৰিত ঢেঁকীয়া বুটলি
ঠিকাদাৰে ঔ-টেঙাৰ এসাঁজ খায়।
নিজৰ ভেঁটিৰ কয়লা খান্দিম
চুইচ টিপি পাহাৰৰ মাটি খহাই
তোমাৰ প্ৰেমৰ পথ পোহৰাম
আমি উত্তৰ আধুনিক অসুৰ....
বৰষুণত জুই জ্বলাও পাহাৰৰ গুহাত
টোপনিত যেতিয়া লালকাল শ্ৰীকৃষ্ণ
বিষাদ নদীৰ হৃদয়ৰ গানবোৰত
বাজি উঠে আৰ্তনাদৰ ধ্বনি...।
কলৰ ভুৰ এখনত উঠি
তোমালৈ মনত পৰে হে সখি।

**ম'বাইল: ৯৩৬৫১-৬৮৮০৬**

## কমাৰ শালত গঢ়া তৃপ্তি

**যমুনা দুলু বৈশ্য**
শুৱালকুছি

ভঙা বুকুয়েদি
এতিয়াও বৈ আছে
এটা চেৰা সুঁতি,
য'ত নমাই আনে হিমৰ শীতলতা
এটা জীয়া জুৰিৰ
শব্দৰ লহৰত নিগৰি আহে
উপত্যকাৰে মাথোঁ বৈ যায়
নিজৰ মাজতে অদম্য হেঁপাহ,
প্ৰতিটো সময়ে প্ৰতিটো স্পৰ্শত
কমাৰ শালত গঢ়া আত্মতৃপ্তি
প্ৰেমৰ আলোড়নৰ অভিন্ন হৃদয়ৰ
দিগন্তত লহপহকৈ বাঢ়ি অহা!
বাস্তৱক ৰূপান্তৰ কৰা
শুই পৰা আকাশত
অভিমানত তাইৰ মনৰ বাতৰি
ভোক হৈ শিপাই দুহাত মেলি
প্ৰাণঢালি প্ৰতিশ্ৰুতি ভৰা
বিচাৰি ফুৰে প্ৰেয়সীৰ বুকুত
আশিস নিৰ্মালী।

## সৌন্দৰ্যময়ী

**অশোক ৰাম ভট্টাচাৰ্য্য**

চৌপাশে সেউজীয়া, তাতে আছোঁ ৰৈ,
আকাশলৈ চাই ভাবো
বহাগ বিহু আহিবৰে হ'ল,
প্ৰকৃতিয়ে আদৰিছে হেৰা সৌন্দৰ্যময়ী
উৰুকা বৈছে আহি পদুলিমুখত
বৰদৈচিলাই কালিয়েই দিলে হিয়াৰ বতৰা,
আমি মনুষ্যহে দোধোৰ-মোধোৰ
নিজম স্থানত ৰৈ পক্ষীৰ শৌৰ্য্যক চাই
উচুপিছো হিয়াভৰা ব্যথাৰে,
হ'লেওঁ আদৰিম আৱদ্ধ কোণৰ পৰা
তোমাকে থৰ লাগি লাগি চাম
তুমিয়ে সৌন্দৰ্যময়ী, অসমীৰ হিয়াৰ আমঠু।

**ম'বাইল: ৯৮৬৪১-৬০১২৭**

## বিৰহ

**শচীন্দ্ৰ কুমাৰ দাস**
পলাশবাৰী

এটি নিৰিবিলি সন্ধিয়াৰ নিৰ্জনতাত
মন ভাহি গৈছিল তোমাৰ কাষলৈ।
হঠাৎ সেৰেঙা হৈ উঠিছিল
মোৰ মনৰ আৱেগ ভূমি।
বিৰহত চকুলো সেমেকি উঠিল,
এক মায়াৰ বান্ধোনৰ দোমোজাত
মনটো ভাঙি পৰিল।
তোমাক হেৰুওৱাৰ ভয়ত
স্নিগ্ধ জোনাকৰ পাপৰিৰ সুৱাস
আজি যেন সতেজতা ত্যাগী মৰহী গৈছে।
বিমুগ্ধ আকাশৰ যাদুসনা সৌন্দৰ্য্যও
আজি যেন বিষাদ মনৰ
করুণ ঝংকাৰ হৈ বৈ গৈছে
মোৰ হৃদয়ৰ তমসা
পূৰ্ণ আৱেগৰ উষ্ণ ভূমিত।
ৰৈ ৰৈ বাট চাইছো
কিজানি উত্তপ্ত মৰুৰ
হৃদয়ৰ বননীত এজাক শীতল বৰষুণে
জীপাল কৰি ভাবনাবোৰক সজীৱ ৰূপ দিয়ে।

## মই এটি উৰণীয়া পক্ষী

**দীপশিখা বৰা**
২ নং ডিলাও জান

মই এটি উৰণীয়া পক্ষী,
উৰি ফুৰোঁ সেউজীয়াবোৰৰ মাজে মাজে।
ওখ ওখ বিৰিখত পৰি ৰ' লাগি চাওঁ।
কেতিয়াবা আকাশলৈ; কেতিয়াবা আকাশৰ তললৈ।
নিৰভ্ৰ নীলিম আকাশখন দেখি
মই উৎফুল্লিত হওঁ।
ৰং মনে নাচো গীত গাওঁ।
কেতিয়াবা মাজে মাজে আকাশখন ডাৱৰ হৈ আহে,
মেঘবোৰ ফালি এজাক বৰষুণ হৈ তললৈ নামে।
মোৰ কিন্তু ইমান বেয়া নালাগে,
কিয় জানানে?
মুক্ত মনে মই সেই বৰষুণ জাকত তিতিব পাৰোঁ।
তেতিয়াই মোৰ তনুত লাগি থকা মলিনতাবোৰ,
দুৰ্গন্ধবোৰ দূৰ হয়।
আৰু সেউজ পৃথীৱীখনো সজীৱ হৈ উঠে।
সেউজীয়াবোৰ দেখিলে মোৰ বৰ ভাল লাগে,
সেউজীয়াবোৰ মাজত বিলীন হৈ,
মই জী উঠিব পাৰো।
নদ-নদী,জান-জুৰিত প্ৰাণৰ পানী টুপি মই,
নিচিন্তকৈ সেৱন কৰি পিয়াহ গুচাব পাৰোঁ।
আকৌ মই মোৰ দুখনি দেউকা মেলি
হৰ্ষচিত্তে উৰা মাৰো।
পুনঃ মই মোৰ বিৰিখৰ পজাত ক্ষন্তেক জিৰণি লওঁ।
মোৰ পোনাকণ কেইটিৰ লগতে,
মোৰ বুকুৰ আপোনবোৰকো বিচাৰি বিচাৰি পেট পুৰাও।
যেতিয়া আকাশৰ তললৈ চাওঁ,
তেতিয়া বহুত বেছি ভয়ো লাগে।
মুক্ত সেউজ পৃথিৱীখনত,
মই এটি উৰণীয়া পক্ষী হৈও স্বাধীন নহয় সেই কাৰণে।
অদৃশ্য হৈ থকা মোৰ গুপুত শত্ৰুবোৰ ৰৈ থাকে গোপনে গোপনে।
কেতিয়াবা মই পাতৰ আঁৰত থাকি
নিজৰ লগতে আনকো ৰক্ষণাৱেক্ষণ দিয়ো।
আকৌ চাই ৰওঁ এবাৰ আকাশলৈ,
এবাৰ তলৰ সেউজ বোৰলৈ।
এনেকৈ দিনৰ দিনটো কিছু সুখ-শান্তি,
হৰ্ষ-বিষাদ আৰু শংকাচ্ছন্ন এটি এটি ক্ষণৰ সৈতে
বাগৰ সলায় সন্ধিয়া আপোন বাহালৈ উৰা মাৰো।
এক গভীৰ অমানিশা নিতাল-নিস্তব্ধ
জিৰণি কোঠাত শুই পৰো।
ধলপুৱাতে সাৰ পাই উঠি,
পুনৰ এটি উৰণীয়া পক্ষী হৈ আকাশলৈ উৰা মাৰো।

**ম'বাইল: ৮০১১৭-১২৩৮৩**

*প্ৰথম পৃষ্ঠাৰ পৰা*

## ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ পথ সুগম কৰাৰ লক্ষ্যৰে প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্টছ প্ৰাইভেট লিমিটেডৰ এক প্ৰশংসনীয় পদক্ষেপ

অৰ্থসাহায্য আগবঢ়াই বানাক্ৰান্ত অঞ্চলসমূহৰ শিক্ষাখণ্ডৰ পুনৰ গঠনত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে প্ৰাইড ইষ্ট গ্ৰুপে। ইয়াৰ অংশ হিচাপে ১২ আগষ্টত ডিমৌ সমষ্টিৰ ৫খন বান ক্ষতিগ্ৰস্ত বিদ্যালয়লৈ ৫ লাখ টকাৰ চেক প্ৰদান কৰে প্ৰাইড ইষ্টৰ CMD ৰিণিকী ভূঞা শৰ্মাই। বানৰ ধ্বংসই বিদ্যালয়ৰ আন্তঃগাঁথনি ক্ষতিগ্ৰস্ত কৰিব পাৰে, কিন্তু শিক্ষাৰ সপোন কেতিয়াও থমকাব নোৱাৰে। শিক্ষাৰ্থীৰ উজ্বল ভৱিষ্যতৰ বাবে এই মানৱীয় প্ৰয়াস সঁচাকৈয়ে অনুপ্ৰেৰণাদায়ক। অনুষ্ঠানত উপস্থিত থাকে ৰাজহ মন্ত্ৰী কেশৱ মহন্ত, জলসম্পদ মন্ত্ৰী সুশান্ত বৰগোহাঁই, প্ৰাইড ইষ্ট গ্ৰুপৰ VICE PRESIDENT (MEDIA) চৈয়দ জাৰিৰ হুছেইন।

## ছেপ্টেম্বৰৰ প্ৰথম সপ্তাহত আৰম্ভ হ'ব মুখ্যমন্ত্ৰীৰ জীৱন

চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া এই ৫ টা কামৰ উপৰি যদি কোনো অতিৰিক্ত কাম কৰিব বিচাৰে সংশ্লিষ্ট পঞ্চায়তে জিলা আয়ুক্তৰ পৰা অনুমোদন ল'ব লাগিব। নিৰ্ধাৰিত ৫ টা কামৰ ভিতৰত আছে— ইণ্টাৰলকিং পেভাৰ ব্লকৰ ৰাস্তা নিৰ্মাণ কৰিব পাৰিব। মহিলাৰ বাবে বিশেষ বজাৰ নিৰ্মাণৰ অনুমতি দিব পাৰিব। বিদ্যালয় চৌহদৰ বেৰা নিৰ্মাণ কৰিব পাৰিব। শ্মশান নিৰ্মাণ কৰিব পাৰিব আৰু জিম বা ৱেলনেছ চেণ্টাৰ স্থাপন কৰিব পাৰিব।

## জালুকবাৰী সমষ্টিৰ পৰা সাহায্য সামগ্ৰী বিতৰণৰ শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীৰ

সাহায্যৰ বৰদোল মেলি দিয়াৰ। এই মহান উদ্দেশ্যক সাৰোগত কৰি ৯ আগষ্টত 'মানৱতাৰ যাত্ৰা'ৰ বাবে জালুকবাৰী সমষ্টিৰ তৰফৰ পৰা আনুষ্ঠানিকভাৱে উজনিৰ তিনিখন জিলাৰ বাবে বান সাহায্য সামগ্ৰী বিতৰণৰ শুভাৰম্ভ কৰে অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া মানৱদৰদী, সমাজপ্ৰাণ হেমন্ত চৌধুৰীয়ে। এই মানৱতাৰ যাত্ৰা শীৰ্ষক বান সাহায্যৰ বাবে বিভিন্ন নিত্যনৈমিত্তিক ব্যৱহাৰৰ যাৱতীয় সামগ্ৰীৰ লগতে ঔষধ, ছাত্ৰ-ছাত্ৰীৰ কিতাপ-পত্ৰ আদি সামগ্ৰী বিতৰণ কৰাৰ বাবে নিয়া হয় উজনি অসমৰ তিনিখন জিলাৰ বানাক্ৰান্ত ৰাইজৰ কাষত।

## বানপীড়িত কৃষকৰ মাজত ২০০০ আশী কঠীয়া বিতৰণ কৃষক নেতা ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যৰ

সমষ্টিৰ যুৱ সতীৰ্থসকলৰ যৌথ উদ্যোগত সাহায্য বিতৰণ কাৰ্যসূচীও ৰূপায়ণ কৰা হয়। উক্ত কাৰ্যসূচীৰ অধীনত অঞ্চলটোৰ ২৫০টা বানপীড়িত পৰিয়ালৰ মাজত দৈনন্দিন ব্যৱহাৰ্য লাগতিয়াল বাচন-বৰ্তন আৰু অন্যান্য সাহায্য সামগ্ৰী বিতৰণ কৰা হয়। উক্ত কাৰ্যসূচীত উপস্থিত থাকি সমগ্ৰ অনুষ্ঠানটোৰ নেতৃত্ব বহন কৰে ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ ৰাজ্যিক সভাপতি পংকজ বৰবৰা আৰু অসম ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্যই। কাৰ্যসূচীত উপস্থিত থাকে মাহমৰা সমষ্টিৰ বিধায়ক সুৰজ দিহিঙীয়া। বিধায়কগৰাকীয়ে কাৰ্যসূচীত অংশগ্ৰহণ কৰি স্থানীয় কৃষক ৰাইজৰ সৈতে ভাব বিনিময় কৰে আৰু দুৰ্যোগৰ সময়ত দল আৰু চৰকাৰ সদায় তেওঁলোকৰ কাষত থকাৰ আশ্বাস প্ৰদান কৰি কৃষক সমাজক অনুপ্ৰাণিত কৰে। নেতৃত্ববৰ্গই ব্যক্ত কৰে যে কৃষক মৰ্চাই সদায় খেতিয়ক সমাজৰ প্ৰতিটো সমস্যা সমাধানৰ বাবে কাম কৰি যাব আৰু ভৱিষ্যতেও বানাক্ৰান্ত অঞ্চলসমূহত এনেধৰণৰ সেৱামূলক কাৰ্যসূচী অব্যাহত থাকিব। অনুষ্ঠানত অংশগ্ৰহণ কৰে কৃষক মৰ্চাৰ ৰাজ্যিক সাধাৰণ সম্পাদক সঞ্জীৱ বড়া, ৰাজ্যিক উপ-সভাপতি নিবাৰণ লহকৰ, নিপন নাথ, শ্যামল শইকীয়া (ই এম ঠেংগাল কছাৰী), ৰাজ্যিক কৃষক মৰ্চাৰ সম্পাদক হৰদীপ চৌধুৰী, দিব্যলতা বৈশ্য, বিশ্বজিৎ বাসাক, পংকজ বৰুৱা; ৰাজ্যিক কৃষক মৰ্চাৰ সদস্য অনুপল কলিতা, পবিত্ৰ শইকীয়া, অংকুৰ দত্ত, পৰাগ মুদৈ, হেমন্ত বৰা, অলকেশ কলিতা, অনুৰাগ ৰাজখোৱা, কাবেন্দ্ৰ ডেকা, বনিতা দাস, ৰাম বাবু সিকদাৰ, প্ৰাঞ্জল শৰ্মা, বনিতা কলিতা আদিৰ লগতে দলৰ স্থানীয় বিষয়াববীয়াসকল আৰু অৰ্ধশতাধিক দলীয় কৰ্মী আৰু স্থানীয় লোকে।

# শিক্ষক মনেশ্বৰ পাটিৰৰ বিদায় সম্বৰ্ধনা আৰু প্ৰবীণ কুমাৰ টায়েৰ গ্ৰন্থ উন্মোচন



**বুলমণি বৰি লখিমপুৰ ঃ** কাছজুলি জনজাতি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক মনেশ্বৰ পাটিৰৰ দীৰ্ঘদিনীয়া সফল কৰ্মজীৱনৰ অন্ত পৰাত ৯ আগষ্ট তাৰিখে গাঁৱৰ ৰাইজে গায়ন বায়ন আৰু খোল তালৰ সমদল উলিয়াই তেওঁক নিজ গৃহৰ পৰা ধুমধামেৰে আদৰি আনি বিদ্যালয়ৰ চৌহদত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত হৃদয়স্পৰ্শী বিদায় সম্বৰ্ধনা জনায়। জয় নাৰায়ণ মৰাঙৰ সভাপতিত্বত সভাখন কাছজুলি মিৰি গাঁৱৰ জীয়ৰী বোৱাৰীসকলে দিহা নামেৰে শুভাৰম্ভ কৰে। সভাত বিদায়ী শিক্ষকগৰাকীক বিদ্যালয়, পৰিয়াল ছাত্ৰ ছাত্ৰী, প্ৰাক্তন শিক্ষাৰ্থী লগতে গাঁওবাসী ৰাইজেও গামোচা চেলেং শৰাই সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনায়। নিদিষ্ট বক্তাৰ ভাষণত হাৰমতী সীমান্ত শাখা সাহিত্য সভাৰ সম্পাদক চন্দ্ৰ শইকীয়াই বিদায়ী শিক্ষক মনেশ্বৰ পাটিৰৰ শিক্ষকতা বৃত্তিৰ প্ৰতি থকা মহানতাৰ কথা উল্লেখ কৰে। প্ৰাক্তন ছাত্ৰ লুহিত মৰাঙে ভাষণ প্ৰদান কৰি কয় যে পাটিৰ ছাৰ কেৱল আমাৰ শিক্ষাগুৰুৱেই নাছিল আমাৰ এজন প্ৰকৃত অভিভাৱক আৰু দিশ দৰ্শক আছিল। শ্ৰেণীকোঠাত কেৱল পাঠ্যপুথিৰ জ্ঞানেই দিয়া নাছিল কেনেকৈ এজন সৎ আৰু আদৰ্শ মানুহ হ'ব পাৰি তাৰো মূল্যৱান শিক্ষা দিছিল। তেখেতৰ নীতি শিক্ষা আৰু জ্ঞানৰ পোহৰে আমাৰ হৃদয়ত চিৰদিন উজ্বলি থাকিব। বিদায়ী শিক্ষক মনেশ্বৰ পাটিৰে ভাষণ প্ৰদান কৰি কয় শিক্ষকতা মোৰ কেৱল এটা বৃত্তি নাছিল আছিল মোৰ জীৱনৰ ব্ৰত। বিদ্যালয়খন আৰু ছাত্ৰ ছাত্ৰীসকলক এৰি যাওঁতে মোৰ বুকুখন দুফাল হৈ পৰিছে। কিন্তু তেওঁলোকৰ ভৱিষ্যতৰ উন্নতি দেখিলে মই মোৰ কৰ্তব্য সফল হোৱা বুলি ভাৱিম। অনুষ্ঠানত প্ৰবীণ কুমাৰ টায়েই এখন কবিতা সংকলন উন্মোচন কৰে কাঁইট ভাঙি আঁজুৰি আনিম ফুল। বিশিষ্ট ঔপন্যাসিক ধনদা দেৱীয়ে কাব্যগ্ৰন্থখন উন্মোচন কৰি কয় যে কিতাপ কেৱল কাগজ আৰু চিঞাহীৰ সমাহাৰ নহয়। ই হ'ল এখন হৃদয়ৰ অনুভূতি। চিন্তা আৰু সৃষ্টিশীলতাৰে জন্ম হোৱা এই কাব্য গ্ৰন্থখনে পাঠকৰ মন জয় কৰিবলৈ সক্ষম হওক। কবি বুলমণি বৰিয়ে কাঁইট ভাঙি আঁজুৰি আনিম ফুল কবিতাটো পাঠ কৰি কয় যে কিতাপেই একমাত্ৰ মাধ্যম যিয়ে সমাজক সঠিক দিশ দেখুৱাব পাৰে আৰু মানুহৰ চিন্তাক সমৃদ্ধ কৰিব পাৰে। প্ৰবীণ টায়েৰ কবিতা সংকলনখন আদৰি লৈ কবিগৰাকীক প্ৰেৰণা দিবলৈ সকলোকে আহ্বান জনায়। হৰিদেৱ মৰাঙ আৰু ৰূপাঞ্জলি মৰাঙে পৰিচালনা কৰা সভাখন বিয়লি ৪ বজাত জাতীয় সঙ্গীতেৰে সফল সামৰণি পৰে।

# শিৱসাগৰ জিলাত মেগা স্বাস্থ্য শিবিৰৰ সফল সামৰণি




**লক্ষ্যজ্যোতি বৰা ঃ** শিৱসাগৰ জিলাৰ বিভিন্ন ঠাইত যোৱা ৪,৫ আৰু ৬ আগষ্ট তাৰিখত তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা বৃহৎ স্বাস্থ্য শিবিৰৰ সফল সামৰণি পৰে। Assam Ayurvedic Practitioners Association ৰ উদ্যোগত প্ৰলয়ংকৰী বানে সৰ্বস্বান্ত কৰা শিৱসাগৰ জিলাৰ নাজিৰাকে ধৰি বিভিন্ন ঠাইত মেগা স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। অভিজ্ঞ চিকিৎসক ডাঃ এমদাদুল ইছলাম, ডাঃ চাকলিন মুচতাক, ডাঃ ৰহিমুল, ডাঃ মেহবুব, ডাঃ ভৱানুৰ, ডাঃ জুবেৰ, ডাঃ ফহিম, ডাঃ ৰফিজুৰ, ডাঃ নজৰুল, ডাঃ জাহাংগীৰ, ফাৰ্মাচিষ্ট মেহৰাজ, ইকৰাম আদিকে ধৰি মুঠ ১৭ গৰাকী চিকিৎসক আৰু কৰ্মচাৰীয়ে বানাক্ৰান্ত ৰাইজক বিনামূলীয়াকৈ চিকিৎসা প্ৰদান কৰে। উক্ত শিবিৰত ৰোগীসকলক সাধাৰণ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে উচ্চৰক্তচাপ, মধুমেহ আদি ৰোগৰ পৰীক্ষা কৰা উপৰি বিনামূলীয়া ঔষধো যোগান ধৰে। প্ৰায় তিনি হাজাৰৰো অধিক লোকক বিনামূলীয়া চিকিৎসা সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত সফল ৰূপায়ণ হোৱাৰ বাবে স্থানীয় প্ৰশাসন তথা ৰাইজে উপস্থিত কৰ্তৃপক্ষ তথা সকলোলৈকে আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰে।

## পৰী হাজৰিকাৰ অধ্যয়নৰ বাবে হোৱা প্ৰয়োজনীয় সকলো কিতাপ-পত্ৰ কৃষক নেতা ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই যোগান ধৰিব

**ৰমেন ভৰালী, বংশৰ ঃ** পৰী হাজৰিকাৰ দৰে বহু সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীৰ কিতাপ পত্ৰ উটুৱাই নিলে বলিয়া বানে। শিৱসাগৰ জিলাৰ নাজিৰাৰ বানাক্ৰান্তক সাহায্য বিতৰণ কৰি উভতি অহাৰ পথত চৰাইদেও জিলাৰ পৰী হাজৰিকাক পথৰ দাঁতিত নিজৰ কিতাপ বহীবোৰ শুকুৱাই থকা অৱস্থাত দেখি গাড়ী ৰখাই তাইৰ সৈতে বাৰ্তালাপ কৰে মানৱদৰদী ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ অসম ৰাজ্যিক সাধাৰণ সম্পাদক তথা কৃষক নেতা ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই। কৃষক নেতা ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই কয় যে সঁচাই ভবাতকৈ বহুত ভয়ঙ্কৰ আছিল এই বলিয়া বান। বান গ'লগৈ কিন্তু এবুকু বিষাদ লৈ পুনৰ নতুনকৈ সপোন ৰচিব লাগিব তেওঁলোকে। মই প্ৰতিশ্ৰুতি দিছো পৰীক অধ্যয়নৰ বাবে হোৱা প্ৰয়োজনীয় সকলো কিতাপ-পত্ৰ ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ অসম ৰাজ্যিক সাধাৰণ সম্পাদক তথা কৃষক নেতা ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই যোগান ধৰিব বুলি কয়। ছাত্ৰীগৰাকীলৈ অলেখ শুভকামনা জনায় কৃষক নেতা ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই।

## নৰ্থ-ইষ্ট কিক বক্সিঙত নগাঁৱৰ ব্ৰেভিয়ান এম এম এ এণ্ড ফিটনেছ চেণ্টাৰৰ খেলুৱৈৰ সফলতা




**জয়ন্ত মুদৈ, নগাঁও ঃ** গুৱাহাটীৰ দক্ষিণগাঁও পথৰ চাওকুছিৰ লং এক্ৰেছত সদ্যসমাপ্ত ডি এফ এল নৰ্থ ইষ্ট কিক বক্সিং চেম্পিয়নশ্বিপ-২০২৬ ত নগাঁৱৰ ব্ৰেভিয়ান এম এম এ এণ্ড ফিটনেছ চেণ্টাৰৰ দুগৰাকী খেলুৱৈয়ে পদকপ্ৰাপ্তিৰে জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইয়াৰে দীপজ্যোতি নাথে ডি এফ এল ইভেণ্টৰ ছিনিয়ৰ পুৰুষৰ মুকলি ওজন শাখাত স্বৰ্ণ পদক লাভ কৰাৰ বিপৰীতে গুণীন্দ্ৰ খাখলাৰীয়ে ছিনিয়ৰ পুৰুষৰ ওৱেলটাৰ ৱেট শাখাত ৰূপৰ পদক দখল কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে, অৱসৰপ্ৰাপ্ত শিক্ষক তথা প্ৰাক্তন ফুটবল ৰেফাৰী নৰেশ্বৰ খাখলাৰী আৰু অৱসৰী কৃতী শিক্ষয়িত্ৰী উষা বৰদলৈৰ একমাত্ৰ পুত্ৰ গুণীন্দ্ৰ খাখলাৰীৰ ঐকান্তিক প্ৰচেষ্টাত নগাঁৱৰ লক্ষীনগৰ ট্ৰাইবেল কলনীত অৱস্থিত ব্ৰেভিয়ান এম এম এ এণ্ড ফিটনেছ চেণ্টাৰ নামৰ অত্যাধুনিক জিমটোত কিক বক্সিং সমৰকলা বিধৰ সম্প্ৰতি নিয়মীয়া অনুশীলন চলি আছে। দুয়োগৰাকী পদকপ্ৰাপ্ত খেলুৱৈয়ে সফলতা লাভ কৰাৰ হেতু জিলাবাসী ক্ৰীড়াপ্ৰেমী লোকসকলক উৎফুল্লিত হৈ পৰাৰ বিপৰীতে সকলোৱে দুয়োলৈ উজ্বল ভৱিষ্যতৰ কামনাৰে শুভেচ্ছা জনাইছে।

# সদৌ অসম কবি সন্মিলনৰ উদ্যোগত ছয়দুৱাৰ মহাবিদ্যালয়ত কাব্যদিন-কাব্যগ্ৰন্থ উন্মোচন

## ন-পুৰণি তিনিকুৰিৰো অধিক কবিৰ অংশগ্ৰহণ



**শিমলুগুৰি ঃ** সদৌ অসম কবি সন্মিলনৰ উদ্যোগত ছয়দুৱাৰ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ত এখনি ব্যতিক্ৰমী কাব্যানুষ্ঠান অনুষ্ঠিত হয়। বিশ্বনাথ জিলা কবি সন্মিলনৰ সৌজন্যত, ছয়দুৱাৰ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অসমীয়া বিভাগৰ সহযোগত আৰু সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠান 'মহাৰথী'ৰ আতিথ্যত পুৱা ১০.৩০ বজাৰ পৰা অনুষ্ঠিত সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় অনুষ্ঠান কাব্য দিন ৰূপায়িত হয়। বিশ্বনাথ জিলা কবি সন্মিলনৰ সভাপতি চাও চন্দন বৰুৱাই বন্তি প্ৰজ্বলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰা সভাখনি আঁতধৰে 'মহাৰথী'ৰ সচিব তথা কবি-সাংবাদিক বিপুল কুমাৰ দিহিঙীয়াই। কবি সন্মিলনখনি উদ্বোধন কৰে বিশিষ্ট গীতিকাৰ, কবি তথা ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ দিগন্ত গোহাঞিয়ে। তেওঁ ভাষণ প্ৰসংগত সদৌ অসম কবি সন্মিলনৰ এনেধৰণৰ পদক্ষেপক আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰে। সদৌ অসম কবি সন্মিলনৰ উত্তৰ পাৰৰ সম্পাদক অনিত শইকীয়াই আদৰণি ভাষণ আগবঢ়োৱা সভাত ন-পুৰণি তিনিকুৰিৰো অধিক কবিয়ে কবিতা পাঠ কৰি ছয়দুৱাৰ মহাবিদ্যালয়ৰ চৌহদ জীপাল কৰে। ছয়দুৱাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° ভাস্কৰজ্যোতি গগৈৰ সঞ্চালনাত অনুষ্ঠিত এই কবি সন্মিলনত অসমৰ ভিন্ন প্ৰান্তৰ একুৰিৰো অধিক তৰুণ প্ৰজন্মৰ প্ৰতিষ্ঠিত কবিয়ে অংশগ্ৰহণ কৰি কবিতা পাঠ কৰাৰ লগতে দুকুৰিৰো অধিক স্থানীয় কবিয়ে কবিতা পাঠ কৰি অনুষ্ঠান সজীৱ কৰি তোলে। এই কাব্য দিনৰ লগতে সংগতি ৰাখি পশ্চিম কলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ তথা ক্ৰীড়াবিদ, নাট্যকৰ্মী কমল বৰাৰ প্ৰথমখনি কাব্য গ্ৰন্থ 'অনুভৱৰ কল্লোল' উন্মোচন কৰে বিশিষ্ট কবি বংশী বৰাই। তেওঁ ভাষণ প্ৰসংগত কমল বৰাৰ কাব্য ধাৰাৰ সম্পৰ্কত নাতিদীৰ্ঘ বক্তব্য আগবঢ়ায়। সভাত বিশিষ্ট অতিথি হিচাপে সাহিত্য অকাডেমি বঁটা প্ৰাপক বিশিষ্ট কবি জ্ঞান পূজাৰীয়ে অংশগ্ৰহণ কৰি নাতিদীৰ্ঘ বক্তব্য আগবঢ়ায়। মহাৰথীৰ সভাপতি ড° দুলেন বৰা, জিলা কবি সন্মিলনৰ সম্পাদক দীপক হাজৰিকা, অনিত শইকীয়া আৰু ৰূপকোঁৱৰ মিলিয়ে সামগ্ৰিকভাৱে সম্বৰ্ধনা অনুষ্ঠান আঁতধৰা সভাত আমন্ত্ৰিত অতিথি কবিসকলক এটি স্মাৰক, এটি গ্ৰন্থৰ টোপোলা, এভাগি চেচ্ আৰু কৃতজ্ঞতা পত্ৰৰে সন্মানিত কৰা হয়। কবি সন্মিলনত বংশী বৰা, দিগন্ত গোহাঞি, নৰহৰি চুতীয়া, মৃদুল কুমাৰ চহৰীয়া, অংকুৰ ৰঞ্জন ফুকন, সবিতা কোঁএৰ, হেমচন্দ্ৰ কচাৰী, জীতেন নৰহ, অশোক কুমাৰ দলে, চৈয়দ পাৰভিজ হুছেইন, বিতোপন গগৈ, মিণ্টু দাস, সঞ্জীৱ বসুমতাৰী, ফাৰহান জাৱেদ, কিশোৰ বড়ো, পংখী কাজল, স্বপন মৈত্ৰী, দিগন্ত ডেকা, মহেন্দ্ৰ গগৈ, অৱনী বৰুৱা, বিশ্বজিৎ সুত, বিনোদ তামুলী, দিলীপ দে, শান্তিৰাণী দেৱী বৰুৱা, হেমপ্ৰভা হাজৰিকা, অজিত কাকতি, ৰূপজ্যোতি শইকীয়া, পৰীক্ষি ৰাজখোৱা, ৰশ্মিৰেখা গোহাঁই, মধুস্মিতা চমুৱা বৰুৱা, কুশুমাই দাস, জয়ন্ত শইকীয়া, বেদব্ৰত বৰা, জৱাহৰলাল মিলি, টেজেন হাজৰিকা, অনন্ত শইকীয়া, মৃদুল কুমাৰ বৰা, কেশৱ বৰুৱা, শৰৎ দাস, অঞ্জু বৰা দত্ত, শিৱ শংকৰ হাজৰিকা, ত্ৰৈলোক্য বৰাকে ধৰি তিনাকুৰিৰো অধিক কবিয়ে কবিতা পাঠ কৰি জীপাল কৰা সভাত গীত নিপু, মূৰ্ছনা দাস আৰু পদুমী বৰাই ড° ভূপেন হাজৰিকাৰ গীত পৰিৱেশন কৰি অনুষ্ঠানটি সজীৱ কৰি তোলে। এই কবি সন্মিলনতেই জ্যোৎস্না কাকতিয়ে জ্যোতিপ্ৰসাদ আগৰৱালাৰ এটি কবিতা আবৃত্তি কৰি অনুষ্ঠানটি সমৃদ্ধ কৰি তোলে। সভাত বিশিষ্ট নাট্যকাৰ তথা অভিনেতা তৰুণ বৰুৱা, দিলীপ বৰা, হলি বৰা, বীৰেন হাজৰিকা, পৰিস্মিতা হাজৰিকা, সুৰেন চন্দ্ৰ শৰ্মা, লীলা টিমচিনা, মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক সান্ত্বনা বৰা, পৱিত্ৰ তাঁতীকে ধৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

# হোজাই জিলা প্ৰশাসনৰ হৰ ঘৰ তিৰংগা ২০২৬ অভিযান

**মুকুল গোস্বামী, লংকা ঃ** হোজাই জিলা প্ৰশাসনে হোজাই জিলা সদৰ শংকৰদেৱ নগৰৰ আয়ুক্তৰ সভাগৃহত হৰ ঘৰ তিৰংগা ২০২৬ লৈ এক সংবাদমেল সম্বোধন কৰে। এই সংবাদমেল সম্বোধন কৰি হোজাই জিলাৰ অতিৰিক্ত আয়ুক্ত পূজা দাসে আগন্তুক হৰ ঘৰ তিৰংগা অভিযানৰ কাৰ্যক্ৰমনিকা সম্পৰ্কে জানিবলৈ দি কয় যে হোজাই জিলা প্ৰশাসনৰ উদ্যোগত ৯ আগষ্টৰ পৰা ১৭ আগষ্ট, ২০২৬ লৈ হৰ ঘৰ তিৰংগা চঞ্চচ্ছ অভিযান পালন কৰা হ'ব। স্বাধীনতা দিৱস উদ্‌যাপনৰ অংশ হিচাপে এই অভিযানৰ আয়োজন কৰা হৈছে। এইবাৰৰ কাৰ্যসূচী 'বন্দে মাতৰম'ৰ ১৫০ বছৰীয়া স্মৰণৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত কৰা হৈছে। জিলাখনৰ গুৰুত্বপূৰ্ণ ৰাজহুৱা স্থানসমূহত তিৰংগা আৰু বন্দে মাতৰমৰ সৈতে জড়িত প্ৰদৰ্শনী আৰু সজাগতা প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হ'ব। মুখ্য বজাৰ এলেকা আৰু ৰে'ল ষ্টেচনসমূহতো গেৰুৱা, বগা আৰু সেউজীয়া ৰঙেৰে আলোকসজ্জাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানসমূহত বিভিন্ন কাৰ্যসূচী যেনে কুইজ প্ৰতিযোগিতা, ৰংগুলী, প্ৰদৰ্শনী আদি অনুষ্ঠিত হ'ব। ইয়াৰ উপৰিও তিৰংগা বাইক ৰেলী, 'তিৰংগাৰ সৈতে ছেলফি'। ১৪ আগষ্ট 'বিভাজন বিভীষিকা স্মৃতি দিৱস' (Partition Horrors Remembrance Day) পালন কৰা হ'ব। জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানত দেশ বিভাজনৰ ওপৰত নিৰ্মিত চুটি ছবি প্ৰদৰ্শন কৰা হ'ব। লগতে সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰা হ'ব। বিভিন্ন স্থানত অনুষ্ঠিত হ'বলগীয়া এই সকলো কাৰ্যসূচী হোজাই জিলা প্ৰশাসনে জিলাখনৰ সকলো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী আৰু সৰ্বসাধাৰণ ৰাইজক হৰ ঘৰ তিৰংগা ২০২৬ অভিযানত উৎসাহ-উদ্দীপনাৰে অংশগ্ৰহণ কৰিবলৈ এই সংবাদমেলৰ জৰিয়তে আহ্বান জনায়। এই সংবাদমেলত পূজা দাসৰ উপৰিও উপস্থিত আছিল হোজাই জিলাৰ অতিৰিক্ত আয়ুক্ত ৰুবু বৰা আৰু ৰাখিশ্ৰী লেখাৰু।







# প্ৰকৃতিপ্ৰেমী লোকৰ বিশেষ তৎপৰতা, বিৰল প্ৰজাতিৰ কাছৰ সংৰক্ষণ থলীত পৰিণত বটদ্ৰৱাৰ আকাশী গংগা



**জয়ন্ত মুদৈ, নগাঁও ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ পৱিত্ৰ জন্মভূমিৰ ঐতিহাসিক বটদ্ৰৱাৰ থানৰ উত্তৰে বিৰাজমান হৈ আছে এটি প্ৰাচীন সৰোবৰ। এই প্ৰাচীন সৰোবৰটিৰ নাম হৈছে 'আকাশী গংগা'। গুৰুজনাৰ স্মৃতি বিজড়িত এই সৰোবৰটিত বিগত কুৰি বছৰ ধৰি অসমৰ ভিন্ন প্ৰান্তৰ জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে বহু প্ৰকৃতিপ্ৰেমী লোকে দুষ্প্ৰাপ্য হৈ পৰা বিভিন্ন প্ৰজাতিৰ কাছ মেলি দি আহিছে। এনেদৰে ধাৰাবাহিকভাৱে বিভিন্ন প্ৰান্তত উদ্ধাৰ কৰা বহু সংখ্যক বিৰল প্ৰজাতিৰ কাছ সযতনে আনি সংৰক্ষণৰ বাবে এই আকাশী গংগাত মেলি দিয়াৰ হেতু এই পবিত্ৰ সৰোবৰটি বৰ্তমান কাছৰ সংৰক্ষণ থলীত পৰিণত হৈছে। অনুৰূপ দেওবাৰেও নগাঁৱৰ বটদ্ৰৱাৰ শিমলুআটি গাঁৱৰ প্ৰকৃতিপ্ৰেমী যুৱক মিজানুল ইছলাম আৰু গাঁও প্ৰধান ওমৰ ফাৰুকে সযতনে এটি বিৰল প্ৰজাতিৰ কাছ উদ্ধাৰ কৰি আনি এই পবিত্ৰ আকাশী গংগাৰ জলধাৰাত মেলি দিয়ে। পৱিত্ৰ আকাশী গংগাত এইদৰে কাছ মেলি দি 'তাকিয়া পাব্লিক ফাউণ্ডেশ্যন' নামৰ এটি প্ৰকৃতিপ্ৰেমী সংগঠনৰ সভাপতি তথা প্ৰকৃতিপ্ৰেমী যুৱক মিজানুল ইছলামে পৰম সন্তোষ লাভ কৰাৰ লগতে বটদ্ৰৱা থান পৰিচালনা সমিতিৰ উদ্যোগত হোৱা কাছ সংৰক্ষণৰ প্ৰক্ৰিয়াটোৰ শলাগ লয়। আচলতে, তাকিয়া পাব্লিক ফাউণ্ডেশ্যনৰ উদ্যোগত ইতিমধ্যে দুস্প্ৰাপ্য প্ৰজাতিৰ পক্ষী নিধনৰ বিৰুদ্ধে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰি অহা হৈছে। উল্লেখ্য যে, সম্প্ৰতি ৰাজ্যত এচাম দুষ্ট প্ৰকৃতিৰ লোকে বনৰীয়া পশু-পক্ষী নিধন কৰি ইয়াৰ মাংস, নখ, ছাল, হাড়, দাঁত আদিৰ চোৰাং বেহা অব্যাহত ৰখাৰ সময়তে এনেদৰে বিৰল প্ৰজাতিৰ কাছ উদ্ধাৰ কৰি পৱিত্ৰ আকাশী গংগাত মেলি দিয়া কাৰ্যৰ বাবে প্ৰকৃতিপ্ৰেমী যুৱক মিজানুল ইছলাম আৰু গাঁও প্ৰধান ওমৰ ফাৰুকক প্ৰশংসা কৰিছে নগাঁও সচেতন মহলে।

স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.in/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা